চান্দমামা

জুলাই ১৯৮৫



যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!

ফৰহেন্স ফ্লোৰাইদ

সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে

331 F 183 ASM

everest/85/PP/125-as



চান্দমামা

জুলাই ১৯৮৫

এই সংখ্যাত আছে

কাৰ দোষ	:	৭
কাঁহৰ কিল্লা	:	১১
যন্ত্ৰ আৰু মানুহ	:	১৯
জ্ঞান আৰু ধন	:	২৪
প্ৰতিবাদ	:	২৭
মুক্তিৰ পথ	:	৩০
কোন বিদ্যা ডাঙৰ	:	৩৯
তান্ত্ৰিকৰ তমতমি	:	৪৩
শিৱ-পুৰাণ	:	৫১
ঠগৰ ঠঠ মঠ	:	৫৯

লগতে

অমৰবাণী, চান্দমামাৰ খুতুৰা-খবৰ, কাবেৰী, বজাৰ পৰাজয়, বাছনি, বনবীয়া ম'হ ইত্যাদি।

চান্দমামা

সংস্থাপক ঃ চক্রপাণি

সম্পাদক ঃ বি নাগিৰেড্ডি

'চান্দমামা'ত পৰিবেশিত কাহিনীসমূহৰ প্ৰধান ভিত্তি হ'ল লোক-কাহিনী। অৱশ্যে পৌৰাণিক কাহিনীও নথকা নহয়। চান্দমামাত প্ৰকাশৰ বাবে লেখা-মেলা পঠোৱা লিখক-লিখিকাসকলে লোক-কাহিনী-ভিত্তিক গল্প-কাহিনী পঠাবলৈ অনুৰোধ জনাইছোঁ। লেখা-মেলা কেৱল ইংৰাজী ভাষাৰ মাধ্যমেৰেহে পঠাব লাগিব। লেখা-মেলা পঠোৱাৰ পাছত ছমাহৰ অন্ততো চান্দমামাত প্ৰকাশিত নহ'লে সেই ৰচনা অমনোনীত বুলি ধৰি ল'ব লাগিব। অমনোনীত ৰচনাদি লিখকলৈ ঘূৰাই পঠোৱা নহয়।

অমৰ-বাণী

গুণিষ্যু পকৃতিঃ স্বল্পা . গিৰিবদ্বহুমনতে।

গুণহীনেতু গিৰিবৎ কৃতাতু লঘুতাম্ ব্ৰজেৎ॥

[যৎসামান্য উপকাৰ কৰিলেও গুণীসকলে সেই বিষয়ত উপকাৰীৰ পৰ্বতপ্ৰমাণ প্ৰশংসা কৰিব আৰু গুণহীনক পৰ্বতপ্ৰমাণ উপকাৰ কৰিলেও অতি সামান্য বুলি ক'ব।]

বছৰ ঃ ১০ জুলাই ১৯৮৫ সংখ্যা ঃ ১

খনে : ২·০০ টকা : বছৰেকীয়া বৰঙণি : ২৪·০০ টকা

A CHANDAMAMA PUBLICATION

চান্দমামাৰ খুটুৰা-খবৰ

ইন্দিৰা গান্ধীৰ মূৰ্তি

আমেৰিকাৰ 'লিবাৰ্টি' মূৰ্তিৰ দৰে বম্বেৰ সমুদ্ৰতীৰৱৰ্তী ঠাইত বম্বেৰ শ্ৰমিকসকলে ইন্দিৰা গান্ধীৰ মূৰ্তি স্থাপন কৰিবলৈ প্ৰচেষ্টা চলাইছে।

পঁচাশী বছৰীয়া যুবক

উত্তৰ কেনিয়াৰ ম জিয়া কিটোস্কটা নামৰ পঁচাশী বছৰীয়া এগৰাকী বৃদ্ধই পশু চৰাওঁতে এটা বনৰীয়া ম'হে তেওঁক আক্ৰমণ কৰিলে। সেই বৃদ্ধই অলপো ভীত নহৈ বনৰীয়া ম'হটোৰ লগত এঘণ্টামান যুঁজিলে। বনৰীয়া ম'হটোৱে একোপধ্যে বৃদ্ধক কাবু কৰিব নোৱাৰি অৱশেষত পলাই গ'ল।

আন্তৰ্জাতিক বৌদ্ধ প্ৰদৰ্শনশালা

গৌতমবুদ্ধৰ জন্মস্থান লুম্বিনী উদ্যানত এক বিৰাট প্ৰদৰ্শনশালা স্থাপিত হ'ব। ইয়াত থাকিব গৌতম বুদ্ধৰ সম্পূৰ্ণ জীৱনী আৰু তেওঁৰ বাণীসমূহৰ সচিত্ৰ প্ৰদৰ্শনী। ভাৰত-নেপাল সীমান্ত অঞ্চলত স্থাপিত এই প্ৰদৰ্শনশালাৰ বাবে ভাৰত চৰকাৰে তিনিকোটি টকা দান কৰিছে।

জানিবলগীয়া

১। গ্ৰিছদেশৰ কোনগৰাকী দূত চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভালৈ আহিছিল?

২। পলাশীৰ যুদ্ধ কেতিয়া, কাৰ লগত কাৰ হৈছিল?

৩। গেট্‌ওয়ে অব্‌ ইণ্ডিয়া কাৰ সন্মানাৰ্থে নিৰ্মিত হৈছিল?

৪। মহাৰাণা প্ৰতাপৰ অশ্বৰ নাম কি আছিল?

৫। পৃথিৱীৰ প্ৰাচীনতম গণতান্ত্ৰিক দেশ কোনখন?

[উত্তৰ : ৬৪নং পৃষ্ঠাত]



কাৰ দোষ

পঢ়া-লিখালৈ একেবাৰে ৰাপ নথকা সুবোধৰ কথা ভাবি ভাবি তাৰ দেউতাকৰ মূৰ গৰম হৈ উঠিল। ভাবি ভাবি তেওঁ সেই গাঁৱতে নিগাজী হৈ থকা গুৰু এগৰাকীৰ কাষ চাপিলে। সুবোধৰ দেউতাকে গুৰুক সকলো কথা ভাঙি পাতি কোৱাৰ অন্তত ক'লে, "হে সদ্‌গুৰু, ল'ৰাটোৰ যাতে আখৰজ্ঞান তথা জাগতিক জ্ঞানো হয়—আপুনি তাৰ বন্দবস্ত কৰক।"

গুৰু নৰোত্তমে ক'লে, "আপুনি আশা কৰা মতে ফল পাবলৈ হ'লে তাক এবছৰৰ কাৰণে মোৰ ওচৰত থ'ব লাগিব।"

সুবোধৰ দেউতাক সুধন্যই গুৰুৰে কোৱামতে কাম কৰিলে।

গুৰু নৰোত্তমে সুবোধক প্ৰথমদিনা ঘৰুৱা কাম-বল কৰিবলৈ ক'লে, গুৰুৰ আশ্ৰমত চাৰিটা ম'হ আছিল। গুৰুৱে ম'হবিলাকক চৰণীয়া পথাৰলৈ লৈ যোৱা, গা ধুউৱা, গোহালিত ঠিকমতে বান্ধি থোৱা, আশ্ৰমৰ বাচন-বৰ্তন কাপোৰ-কানি আদি চাফা কৰা আদি কামত লগালে সুবোধক। সুবোধে এইবোৰ কাম নিয়াৰিকৈ কৰিলে।

কেইদিনমানৰ পাছত সুবোধে কাম কৰাৰ সলনি নিশ্চয় পঢ়িবলৈ ইচ্ছুক হ'ব বুলি গুৰুৱে ভাবিলে। কিন্তু পোন্ধৰ দিনৰ পাছতো সুবোধৰ সম্পৰ্ক গুৰুৰ ধাৰণা মিছা প্ৰমাণিত হ'ল।

তাৰ পাছত এদিন গুৰুৱে সুবোধক ক'লে, "শুনা, মানুহ তো গৰু নহয়, মানুহ হ'ল মানুহ। মানুহৰ এক বিশেষ বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যৰ অন্যতম

হ'ল—জ্ঞান। আৰু—জ্ঞানলাভ কৰিবলৈ হ'লে পঢ়া-লিখা কৰিবই লাগিব।"

"চাওক, এইবোৰ কথা শুনিলেও মোৰ আমনি লাগি যায়।" সুবোধে ক'লে।

"চোৱাঁ, তুমি যদি আকাশত উৰিব খোজা, কিম্বা নৈৰ ওপৰেদি খোজ কাঢ়ি যাবলৈ ইচ্ছা কৰা—সেই মন্ত্ৰ মই তোমাক শিকাই দিব পাৰোঁ। কিন্তু মন্ত্ৰ শিকিবলৈ হ'লে আখৰৰ জ্ঞান লাগিব। নহ'লেনো মন্ত্ৰ পঢ়িবা কেনেকৈ!"

এই কথা শুনি সুবোধে পঢ়া-লিখা কৰিবলৈ মান্তি হৈ গ'ল। কিন্তু একেৰাহে বহু দিন ধৰি চেষ্টা কৰিও সি আনকি অ আ ক খ-ও শিকিব নোৱাৰিলে।

তেতিয়া গুৰু নৰোত্তমে পাঁচবছৰীয়া ল'ৰা এটক লৈ আহি সুবোধক ক'লে, "সুবোধে, এই ল'ৰাটিৰ বয়স মাত্ৰ পাঁচ বছৰ। তুমি হ'লা বাৰ বছৰীয়া। মই এই ল'ৰাটোক পঢ়া-লিখা শিকাম। তুমি ভালকৈ লক্ষ্য ৰাখিবা যে সি কিমান দিনত শিকিব পাৰে।"

পাঁচবছৰীয়া ল'ৰাটোৱে অতি কম দিনতে ঢেৰ আখৰ পঢ়িব আৰু লিখিব পৰা হ'ল। সুবোধে গুৰুক ক'লে, "এইবোৰ পাঁচ বছৰ বয়সতে জলদিকৈ শিকিব পাৰি। বয়স বেছি হ'লে আখৰ শিকা টান।"

নৰোত্তমে এজন হালোৱাক মাতি আনিবলৈ ক'লে সুবোধক। সুবোধে একেবাৰে আখৰজ্ঞান নথকা এজন হালোৱাক মাতি আনিলেগৈ। নৰোত্তমে কেইঘণ্টামানৰ মাজতে হালোৱাক অ আ শিকাই দিলে। তেতিয়া গুৰু নৰোত্তমে সুবোধক ক'লে, "দেখিলানে মন কৰিলে কিমান কম সময়তো শিকিব পাৰি?"

"ময়ো সিমান ডাঙৰ বয়সত নিশ্চয় পঢ়া-লিখা শিকিব পাৰিম, চাৰ।" সুবোধে নৰোত্তমক ক'লে।

গুৰু নৰোত্তমে সুবোধক ক'লে, "ঠিক

আছে, এটা কাম কৰা। এইখন গাঁৱৰপৰা বা চুবুৰীয়া গাঁৱৰপৰা তোমাৰ বয়সৰ এটি ল'ৰাক মাতি আন্যাগৈচোন, মই তাকো শিকাই দিম।"

কিন্তু সুবোধে তাৰ বয়সৰ আখৰ-জ্ঞানহীন এটা ল'ৰাকো গাঁৱত বিচাৰি নোপোৱা হ'ল।

তেতিয়া গুৰুৱে তাক ক'লে, "দেখিলানে, সকলো ল'ৰায়েই লিখা-পঢ়া কৰে। কেৱল তুমিহে নকৰা। এতিয়াৰে পৰাই পঢ়া-লিখা নকৰিলে ভৱিষ্যতত অপমান বোধ কৰিবা।"

"লিখা-পঢ়া নকৰাটোও কিবা—অপমানৰ কথানে? মই তেনেকৈ নাভাবোঁ। কথাত বোলে—'যাৰ ভাগ্যত যি আছে'। আপুনি চুটি-চাপৰ হোৱাত বহুতেই হাঁহে। পিছে—আপুনি মন কৰিলেই ওখ হ'ব পাৰিবনে? নোৱাৰে। লিখা-পঢ়াত মোৰ ৰাপ নথকাটো বাৰু মোৰ দোষনে?" সুবোধে এনেবোৰ কথা বলকি থাকিল। সুবোধৰ এইবোৰ কথাত আমনি পাই গুৰুৱে ক'লে, "তোমাক লিখা-পঢ়া শিকাবলৈ মই বহু যত্ন কৰিও নোৱাৰিলোঁ। যি কি নহওক, আজিৰপৰা পঢ়া-লিখা নকৰিলে দিনো দহোটাকৈ বেতৰ কোব খাব লাগিব।"



এই কথা শুনি ভয় খাই সুবোধে পঢ়া-লিখাত ধৰিলে। কিন্তু বহু দিন ধৰি বহু চেষ্টাতো সি আনকি এটা আখৰো লিখিব নোৱাৰিলে।

এইদৰে কিছুদিন পাৰ হোৱাৰ পাছত নৰোত্তমে সুবোধক ক'লে, "শুনা, প্ৰতিদিন দহটাকৈ আখৰ শিকিবই লাগিব। দহটাতকৈ যিকেইটা কম শিকিবা, সেইকেইটা বেতৰ কোৱ খাবা—মনত ৰাখিবা মোৰ এই কথাটো।"

সুবোধে গোৰগোৰাই উঠি নৰোত্তক ক'লে, "চাওক, মোক লিখা-পঢ়া শিকোৱাটো আপোনাৰ একান্ত কৰ্তব্য।

মই নোৱাৰিলে দোষ আপোনাৰহে। মোৰ দোষৰ বাবে মোক শাস্তি দিব, ঠিক আছে। আপোনাৰ দোষৰ বাবে আপোনাক কোনে শাস্তি দিব?"

তেতিয়া নৰোত্তমে লাহে-ধীৰে ক'লে, "বোপা সুবোধ, তুমি মোৰ চকু মুকলি কৰিলা বোপাই। মোৰ অক্ষমতালৈ তুমিহে আঙুলিয়াই দিলা। এতিয়া তুমি ঘৰলৈ উভতি যাব পাৰা।"

"কিন্তু মই এবছৰৰ অন্ততহে ঘৰলৈ উভতি যাম—দেউতাই—"

সুবোধৰ কথাৰ মাজতে নৰোত্তমে কৈ উঠিল, "তুমি মোৰ অক্ষমতা তথা ভুললৈ আঙুলিয়াই দিছা বুলি দেউতাবাক ক'বাগৈ, তেতিয়া আৰু তেওঁ তোমাক একো নকয়। আৰু—ভৱিষ্যতত তুমি কেতিয়াও মোৰ ওচৰত নাহিবা।"

সুবোধৰ ঘৰলৈ উভতি যোৱাৰ লগে লগেই সুধন্য নৰোত্তম গুৰুৰ কাষ চাপিল।

নৰোত্তমে সুধন্যক ক'লে, "চাওক, আপোনাৰ ল'ৰাটোৱে লিখা-পঢ়া বাদে আন যিকোনো কাম শিকিব পাৰিব।"

তাৰ পাছত বহুদিন বাগৰিল। সুবোধ এতিয়া এক প্ৰতিষ্ঠিত ব্যৱসায়ী। হঠাৎ এই বয়সত সুবোধৰ মনত পঢ়া-লিখালৈ ইচ্ছা জাগিল, আৰু পুনৰ নৰোত্তম গুৰুৰ ওচলৈ গৈ লিখা-পঢ়া শিকিবলৈ ধৰিলে। কিছুদিনৰ ভিতৰতে সুবোধে কাম চলাব পৰা বিধৰ পঢ়া-লিখা শিকি লৈ গুৰুক ক'লে, "দেখিলেনে? লিখা-পঢ়া পাঁচ বছৰ বয়সৰপৰা—আৰু নহ'লে—বিছ বছৰ বয়সৰ পাছৰপৰাহে হ'ব বুলি মই অথনি কোৱা নাছিলোঁনে?"

"অ—" গুৰু নৰোত্তমে হাঁহি মাৰি ক'লে, "তেনেহ'লে—মোৰ দোষত তোমাৰ পঢ়া-লিখা নোহোৱা বুলি কোৱা কথাষাৰ সঁচা নাছিল বুলি কৈছা?"

সুবোধে তলমূৰ হৈ ক'লে, "নহয়।"



৬

কিছুমান নতুন সৈন্য লৈ সর্পকেতুৰে পুনৰ আক্ৰমণ কৰাত চন্দ্ৰবৰ্মাৰ পৰিকল্পনা ব্যৰ্থ হ'ল। চন্দ্ৰবৰ্মা আৰু সুবাহু ঘোঁৰাত উঠি পৰ্ৱতীয়া অঞ্চললৈ পলাই গ'ল। কিন্তু তাতো তেওঁলোক শত্ৰুসৈন্যৰ কবলৰপৰা ৰেহাই নাপালে, সৰ্পকেতুৰ সৈন্যইতে তেওঁলোকক আগুৰি ধৰিলেহি। নিৰুপায় চন্দ্ৰবৰ্মা আৰু সুবাহু বাধ্যত পৰি পৰ্বতৰ তলেদি বৈ যোৱা গৰ্জনশীল কোবাল নৈৰ বুকুত জঁাপ মাৰি দিলে।

তাৰ পাছত.........

খৰস্ৰোতা পৰ্বতীয়া নৈৰ বুকুত সাঁতুৰিবলৈ চেষ্টা কৰি কৰি চন্দ্ৰবৰ্মা ভাগৰি পৰিল। অতঃপৰ বাধ্যত পৰি তেওঁ নৈৰ প্ৰবাহত নিজক সমৰ্পণ কৰিলে, আৰু প্ৰবাহই তেওঁক উটুৱাই লৈ যাবলৈ ধৰিলে। এইদৰে বহুতোপৰলৈকে উটি-ভাহি গৈ গৈ, কেতিয়া যে তেওঁৰ চকুযুৰি মুদ খাই আহিল, তেওঁ নিজেই ক'ব নোৱৰা হ'ল।

পুনৰ যেতিয়া চন্দ্ৰবৰ্মাই চকু মেলি চালে, তেতিয়া তেওঁ নিজক নৈৰ



তীৰত পৰি থকা দেখি পালে। পাছ-মুহূৰ্ততে তেওঁৰ মনত পৰিল সুবাহুলৈ। তেওঁ চাৰিওফালে চালে। যেনিবা—তাতে সুবাহুক তেওঁ দেখা পাব। কিন্তু তাত সুবাহুৰ চিন-মোকামো দেখা নাপাই চন্দ্ৰবৰ্মা হতাশ হ'ল।

হঠাৎ তেওঁ ভোকৰ পোৰণি অনুভৱ কৰিলে। কিন্তু ইয়াত—এই অচিনাকি ঠাইত ক'ত কি আছে তেওঁ তো একো নাজানে। হঠাৎ তেওঁ তাত এজোপা আমগছত অজস্ৰ পকা আম দেখা পাই হেঁপাহ পলুৱাই আম খালে। এই নেপালীয়া পাহাৰৰ অৰণ্য যে কিমান গভীৰ তথা ভয়ংকৰ—তালৈ তেতিয়া তেওঁ ভ্ৰূক্ষেপেই নকৰা হ'ল।

তাৰ পাছত তেওঁৰ মনত প্ৰশ্ন জাগিল যে তেওঁ এই মুহূৰ্তত ক'ত আছে। তেওঁ ভাবিলে: মই সম্প্ৰতে শত্ৰুৰ কবলৰপৰা ৰেহাই পালোঁ। কিন্তু মই এতিয়া ক'ত? এই ঠাইত মানুহ-দুনুহ আছেনে নাই? নে এই অঞ্চল কেৱল হিংস্ৰ জন্তুৰে ভৰপুৰ? ভূত-প্ৰেতৰ কথা বাদেই দিলোঁ, তথাপি এনে নিমাওমাও ঠাইত সৰহপৰলৈ বৈ থকাও ঠিক নহ'ব। এনেবোৰ কথা ভাবি ভাবি চন্দ্ৰবৰ্মাই আগুৱাই যাবলৈ ধৰিলে।

হঠাৎ প্ৰচণ্ড ধুমুহা উঠিল। বতাহৰ বেগ সহিব নোৱাৰি চন্দ্ৰবৰ্মাই এজোপা বিৰাট গছৰ আঁৰত থিয় হ'ল। ধুমুহাৰ লগে লগে সমগ্ৰ অৰণ্যৰ পশুপক্ষী-বিলাকো আৰ্তনাদ কৰি উঠিল।

অলপ পাছত, ধুমুহা শান্ত হোৱাত চন্দ্ৰবৰ্মাই পুনৰ খোজ ল'লে। কিন্তু কেইখোজমান আগুৱাই গৈ চন্দ্ৰবৰ্মাই যি দৃশ্য দেখা পালে—সেই দৃশ্যই তেওঁক অৱশ কৰি পেলালে।

তেওঁ দেখিলে যে তেওঁৰ চাৰিওফালে থকা গছৰ ডালবিলাক তেওঁৰ পিনে আগুৱাই আহিব ধৰিছে। তেওঁ যিপিনেই

খোজ লয়, গছৰ ডালবিলাকো সেইপিনেই আগুৱাই আহে। চন্দ্ৰবৰ্মা স্থিৰভাৱে থিয় হৈ থাকিল। তেওঁ ভাবিলে: এই অৰণ্যত নিশ্চয় কোনোবা তান্ত্ৰিক আছে। —ঠিক তেতিয়াই গছৰ ডালকেইটামানে তেওঁক সাৱটি ধৰিবলৈ আগুৱাই অহাত চন্দ্ৰবৰ্মাই তৰোৱালেৰে ডালকেইটা কাটি পেলালে আৰু লগে লগে আৰ্তনাদ কৰি উঠিল। চাৰিওফালৰপৰা বিৰাট এক ফোপাউৰিৰ শব্দ ভাহি আহিবলৈ ধৰিলে আৰু লগতে তপত বতাহ বলিবলৈ ধৰিলে।

এইদৰে, বহুপৰলৈকে থৰ হৈ থকাৰ অন্তত চন্দ্ৰবৰ্মাই পুনৰ আগুৱাই যোৱাটোকে স্থিৰ কৰিলে। যিপিনেদি সাপৰ ফোপাউৰিৰ শব্দ ভাহি আহিব ধৰিছিল, চন্দ্ৰবৰ্মাই সেইপিনে খোলা তৰোৱাল হাতত লৈ দৃঢ় পদক্ষেপেৰে গৈ থাকিল। অলপ পাছত, এটা বিৰাট আকাৰৰ তিনিমূৰীয়া সাপ তেওঁৰ পিনে আগুৱাই অহা দেখা পাই চন্দ্ৰবৰ্মাৰ দেহা হিমচেঁচা হৈ পৰিল। কিন্তু তথাপি তেওঁ এই সাপটোক একেঘাপে কাটি পেলাবলৈ সাজু হ'ল। চন্দ্ৰবৰ্মাই প্ৰকাণ্ড সাপটোৰ কদাকাৰ মূৰটোলৈ লক্ষ্য কৰি তৰোৱাল দাঙি দিওঁতেই কোনোবাই গহীনগম্ভীৰে কণ্ঠেৰে কৈ উঠিল: “বোপা কালনাগ! এই অচিনাকি মানুহজনক তুমি খুটি নামাৰিবা। এওঁ বৰ বিপদত পৰি বাট

হেকৰাই আমাৰ ইয়ালৈ আহিছে। এওঁ অতিথি। এওঁক আদৰি লৈ আহাঁ।"

এই কথা শুনিয়েই প্ৰকাণ্ড তিনিমূৰীয়া সাপটো ৰ'ল। ধুমুহা নোহোৱা হ'ল। গছৰ ডালবিলাক নিস্তেজ হৈ পৰিল।

তিনিমূৰীয়া সাপটোৱে আকৌ ফেঁট মেলিলে আৰু চন্দ্ৰবৰ্মাক তাৰ লগে লগে যাবলৈ ইংগিত কৰিলে।

চন্দ্ৰবৰ্মাই নিজক বৰ অসহায় বোধ কৰিবলৈ ধৰিলে। এই অৰণ্যত যে এজন মহাশক্তিমান তান্ত্ৰিক আছে—সেই কথাত সন্দেহ নাই আৰু তেওঁৰ মনত। এই অৰণ্যৰ গছ-গছনি আৰু জন্তু-জানোৱাৰ বিলাকেও এই তান্ত্ৰিকৰ কথাত উঠা-বহা কৰে। গতিকে—পলাই যোৱাৰ চেষ্টা কৰি একো লাভ নহ'ব, তিনিমূৰীয়া সাপটোৰ পিছে পিছে গৈ থকাটোহে বুদ্ধিমানৰ কাম হ'ব। এইবোৰ কথা ভাবি, তৰোৱালখন টানকৈ ধৰি, চন্দ্ৰবৰ্মাই সাপটোৰ পিছে পিছে গৈ থাকিল।

এইদৰে, কিছুদূৰলৈ যোৱাৰ অন্তত তুজোপা গছৰ ফাঁকত শেনমূৰীয়া জন্তু এটাক থিয় হৈ থকা দেখা পাই চন্দ্ৰবৰ্মা বিস্মিত হ'ল। কিয়নো, এই জন্তুটোৰ মূৰ শেনৰ দৰে, দেহা সিংহৰ দৰে, কিন্তু জন্তুটোৰ দেহাত বিৰাট বিৰাট ডেউকাও আছে। এনেহেন জন্তু জগতত আছে চন্দ্ৰবৰ্মাই বুলি শুনাও নাছিল।

তিনিমূৰীয়া সাপটো সেই অদ্ভুত-দৰ্শন শেনমূৰীয়া জন্তুটোৰ কাষ চাপিল আৰু তাক তীব্ৰ গতিৰে খুটি দিলে। লগে লগে জন্তুটো তুফাল হৈ মাটিত বাগৰি পৰিল।

তাৰ পাছত চন্দ্ৰবৰ্মাই এটা পঁজা ঘৰ দেখা পালে। ঘৰটোৰ বাৰাণ্ডাত বগাচুলীয়া অলৰ বুঢ়ী এজনী বহি আছিল। এই বুঢ়ীজনী মানুহেইনে ভূতুনী—চন্দ্ৰবৰ্মাই ঠাৱৰ কৰিব নোৱাৰিলে।

চন্দ্ৰবৰ্মালৈ কেৰেচীয়াকৈ চাই লৈ.

বুঢ়ীয়ে তাইৰ হাতত থকা লাঠিডাল মাটিত ডুবাৰমান থেকেচি সাপটোক ক'লে, "বোপা কালনাগ, তুমি এতিয়া যোৱাগৈ।" তাৰ পাছত বুঢ়ীয়ে চন্দ্ৰবৰ্মাক ক'লে, "আহাঁ, বোপা, তুমিনো তেনেকৈ থিয় হৈ আছা কেলেই? বহাঁহি মোৰ কাষত। তোমাৰ বাট চাই চাই মই যে কত কাললৈ ইয়াত এই দৰে বৈ আছোঁ—!"

"মোৰ বাট চাই!" চন্দ্ৰবৰ্মাই অবাক হৈ বুঢ়ীক সুধিলে।

"ওঁ, তোমাৰ বাট চাই। তোমাৰ বাবে। তোমাক মই বিভিন্নভাৱে সহায় কৰিব পাৰিম। তুমিও মোক বহু ধৰণে সহায় কৰিব পাৰিবা, কৰিবই লাগিব সহায়।" বুঢ়ীয়ে চন্দ্ৰবৰ্মাক ক'লে।

এই কথা শুনি চন্দ্ৰবৰ্মাৰ ধাৰণা হ'ল যে এই বুঢ়ী ভূতুনী নহয়, মানৱী। আৰু এইজনীয়েই অৰণ্য তান্ত্ৰিক।

চন্দ্ৰবৰ্মাই বুঢ়ীৰ পিনে আগুৱাই গৈ বুঢ়ীক সুধিলে, "মই কোন—তুমি জানানে? তোমাৰ কি নাম?"

"মোৰ নাম—কাপালিনী। মই তোমাৰ একো অনিষ্ট নকৰোঁ। তুমি তোমাৰ সেই তৰোৱালখন পেলাই দিয়া। মই অনিষ্ট কৰিম বুলিলে—তুমি তোমাক তোমাৰ সেই তুচ্ছ তৰোৱালেৰে ৰক্ষা কৰিব নোৱাৰিবা। এই ঠাইৰ যতমানে হিংস্ৰ জন্তু তথা গছ-গছনিবিলাকেও



সহায় কৰিব লাগিব—চন্দ্ৰবৰ্মা।"

বুঢ়ীয়ে চন্দ্ৰবৰ্মাৰ নাম কাঢ়ি মতাত চন্দ্ৰবৰ্মৰ বুজিবলৈ বাকী নাথাকিল যে এই তান্ত্ৰিক বুঢ়ীয়ে তেওঁৰ সম্পৰ্কে নিশ্চয় বহুতো কিবাকিবি জানে। বুঢ়ীয়ে মন কৰিলে সেনাপতি ধীৰমল্ল আৰু সুবাহুৰ সম্পৰ্কে খবৰাখৰৰ দিব পাৰিব বুলি চন্দ্ৰবৰ্মাৰ ধাৰণা হ'ল।

বুঢ়ীয়ে চন্দ্ৰবৰ্মাক ঘৰৰ ভিতৰলৈ লৈ গ'ল। ঘৰৰ দেৱালত নানান জন্তুৰ আৰু মানুহৰ মূৰৰ লাওখোলা ওলমি থকা দেখি চন্দ্ৰবৰ্মাৰ বুকুখন চিৰিংকৈ গ'ল। ঘৰৰ খিৰিকীৰ ওপৰত এচটা কাঠৰ ওপৰত কাঁচেৰে তৈয়াৰী এটা বিৰাট গোলক আছিল। এই গোলকটোৰ কাষত চন্দ্ৰবৰ্মাক বহিবলৈ কৈ বুঢ়ীয়ে ক'লে, "তোমাক যে নৈৰ সোঁতে আন ক'লৈকো উটুৱাই লৈ যোৱা নাই—মোৰেই সৌভাগ্য। কিয়নো, এটা বিশেষ কামত তোমাৰ বাহিৰে আন কোনো মানুহেই মোক সহায় কৰিব নোৱাৰিব।"

চন্দ্ৰবৰ্মাই এই কথাৰ পোনপটীয়া উত্তৰ দিয়াৰ সলনি বুঢ়ীক সুধিলে, "কাপালিনী, এই ধুনীয়া গোলকটোৱে ভূত-ভৱিষ্যৎ কৈ দিব পাৰে, নহয়নে?"

চন্দ্ৰবৰ্মাৰ কথাৰ উত্তৰত বুঢ়ীয়ে

মোৰ কথা মান্য কৰে—তুমি দেখিছাই।"

চন্দ্ৰবৰ্মাই মন্ত্ৰমুগ্ধৰ দৰে তৰোৱালখন খাপৰ ভিতৰত ভৰাই থ'লে আৰু ক'লে, "কাপালিনী, মোৰ ভাগ্য বৰ বেয়া। বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, দেশ হেৰুৱাই অনাই-বনাই ঘূৰি ফুৰিছোঁ মই। যি কি নহওক—মই তোমাৰ একো অনিষ্ট নকৰোঁ। তুমি মোৰ একো অনিষ্ট নকৰিবা বুলি শপত খাই কথা দিবানে?"

"মই অনিষ্ট কৰিম! তোমাৰ?" বুঢ়ীয়ে অবাক হৈ ক'লে, "মই তোমাক সাধ্যানুসৰি সহায়হে কৰিম। কিন্তু—তাৰ আগতে—মোক এটা বিশেষ কামত



হুমুনিয়াহ কাঢ়ি ক'লে, "বোপা, তোমাৰ কথা সঁচা। হোৱাহেঁতেন মোৰ আৰু চিন্তা নাথাকিলহেঁতেন। এই গোলকে ভৱিষ্যৎ ক'ব নোৱাৰে, কেৱল অতীত আৰু বৰ্তমানহে ক'ব পাৰে। আৰু সেইদেখিহে এটা বিশেষ ৰকম কষ্ট সাধ্য কামৰ বাবে তোমাৰপৰা সহায় মাগিছোঁ।"

"কিনো সেই কষ্টকৰ কাম—?" চন্দ্ৰবৰ্মাই প্ৰশ্ন কৰিলে।

"এই ঠাইৰপৰা এশ যোজন নিলগত শংখ নামৰ এজন তান্ত্ৰিক আছে। তাৰ মন্ত্ৰগৃহত সোমাই মোক এটা বস্তু তুমি আনি দিবা। সেই বস্তুটো যদি মোক আনি দিব পাৰা, তেনেহ'লে মই সম্পূৰ্ণ নীৰোগ অৱস্থাত আৰু এহেজাৰ বছৰলৈ সুখেৰে জীয়াই থাকিব পাৰিম, আৰু মোৰ যৌৱনো ফিৰাই পাম। নহ'লে···" কথাষাৰ শেষ নকৰাকৈয়েই বুঢ়ীয়ে উচুপিবলৈ ধৰিলে।

বুঢ়ীৰ উচুপনিয়ে চন্দ্ৰবৰ্মাক এই কথা সমূলি পাহৰাই পেলালে এই বুঢ়ীৰ মন্ত্ৰবলেৰেহে গছৰ ডালবিলাক দীঘল হৈ পৰিছিল, তিনিমূৰীয়া সাপে ফেঁট নমাইছিল, আৰু তেওঁক বাট দেখুৱাই ইয়ালৈ লৈ আহিছিল। এইবোৰ কথা সমূলি পাহৰি চন্দ্ৰবৰ্মাই বুঢ়ীক সহায় কৰিবলৈ আগ্ৰহী হৈ উঠিল।

চন্দ্ৰবৰ্মাই বুঢ়ীক ক'লে, "কাপালিনী, মই তোমাক নিশ্চয় সহায় কৰিম। কিন্তু মোক তাৰ আগতে অলপ সহায় কৰা। মোৰ সেনাপতি ধীৰমল্ল, মোৰ সেৱক সুবাহু এতিয়া ক'ত আছে? কেনে আছে? আৰু আমাৰ বীৰপুৰ নগৰৰ বৰ্তমান অৱস্থা কি—গোলকক সুধি মোক কোৱাচোন?"

কাপালিনীয়ে চন্দ্ৰবৰ্মাৰ মুখলৈ স্থিৰ দৃষ্টিৰে চাই থাকিল কেইখন্তেকমানলৈ। তাৰ পাছত ৰহস্যময় হাঁহিৰে মুখখন উজলাই, ঘৰৰ এচুকৰপৰা মৰা মানুহৰ

দীঘলীয়া হাড় এডাল আনি, কাঁচৰ সেই গোলকটোৰ ওচৰত থিয় হৈ, হাড়ডাল ঘূৰাই ঘূৰাই মন্ত্ৰ মাতি, গোলকটোৰ পিনে চাই চন্দ্ৰবৰ্মাক সুধিলে, "এয়ে তোমাৰ বীৰপুৰ নগৰ নহয়নে ?"

গোলকটোৰ ভিতৰত দেখা বীৰপুৰ নগৰত তেতিয়া লৌ লৌকৰে জুই জ্বলি আছিল। জুইৰ লেলিহান শিখা আৰু ক'লা ধোঁৱাৰে আকাশ আচ্ছন্ন। তাত হাজাৰ-বিজাৰ নাগৰিকৰ হাহাকাৰ আৰু ক্ৰন্দনৰ বাহিৰে আন একো শুনা নগৈছিল। এই দৃশ্য দেখি চন্দ্ৰবৰ্মাই আৰ্তনাদ কৰি কৈ উঠিল, "কাপালিনী, বন্ধ কৰাঁ— বন্ধ কৰাঁ, এই অসম্ভৱ তথা অকল্পনীয় দৃশ্য সহ্য কৰিব পৰা নাই মই—।"

অলপ পাছত, পুনৰ মৰা মানুহৰ সেই হাড়ডাল ঘূৰাই, মন্ত্ৰ মাতি কাপালিনী বুঢ়ীয়ে চন্দ্ৰবৰ্মাক ক'লে, "এই যে— চোৱাঁহি, তোমাৰ সেনাপতি ধীৰমল্লক।"

পাহাৰ আৰু অটব্য অৰণ্যৰ মাজেদি সেনাপতি ধীৰমল্লই ঘোঁৰা চেকুৰাই গৈ থকা দেখা পালে চন্দ্ৰবৰ্মাই—গোলকটোৰ ভিতৰত। সৰ্পকেতুৰ সৈন্যহঁতে সেনাপতি ধীৰমল্লক চাৰিওফালৰেপৰাই আগুৰি ধৰা দেখা পাই চন্দ্ৰবৰ্মাৰ বুকুখন টিপটিপাই উঠিল। সৰ্পসৈন্য-পৰিবৃত বীৰ সেনাপতি ধীৰমল্লই তেওঁৰ সৈন্যহঁতক সৰ্পসৈন্য ঘূৰাই আক্ৰমণ কৰিবলৈ উদগাইছে।

এইবোৰ দৃশ্য দেখুউৱাৰ অন্তত কাপালিনীয়ে চন্দ্ৰবৰ্মাক ক'লে, "এই দৃশ্য কিন্তু ৰাতিপুৱাৰ ঘটনা, চন্দ্ৰবৰ্মা। তাৰ পাছত যে ধীৰমল্লৰ কি অৱস্থা হ'ল—সেই দৃশ্য তুমি নেদেখাই ভাল।" এই বুলি কৈ, মৰা মানুহৰ হাড়ডাল এবাৰ জোৰেৰে ঘূৰাই, কাপালিনী তাৰপৰা আঁতৰি গ'ল আৰু নিৰ্বাক চন্দ্ৰবৰ্মাই অপলক দৃষ্টিৰে সেই জাদু-গোলকটোৰ পিনে একেথিৰে চাই ৰ'ল। [অহা সংখ্যাত





যন্ত্ৰ আৰু মানুহ

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ, গছৰ ডালৰপৰা শ'টো নমাই আনি, কান্ধত ওলোমাই লৈ, নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তোমাৰ এই অপৰিমেয় শ্ৰমৰ নিশ্চয় কিবা উদ্দেশ্য আছে, পিছে—সেই উদ্দেশ্য সফল হ'লেই যে আনন্দ লাভ কৰিবা—তাৰ নিশ্চয়তা নাই। উদাহৰণস্বৰূপে মই তোমাক শান্তবৰ্মাৰ কাহিনী কওঁ শুনা। এই কাহিনী শুনি শুনি গৈ থাকিলে আন একো নহ'লে তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলে :

কুন্তলদেশৰ ৰজা শান্তবৰ্মা আছিল ধৰ্মবুদ্ধিসম্পন্ন ৰজা। তেওঁৰ প্ৰজাবৰ্গ

'বেতাল-কথা'

আছিল সুখী। শত্ৰুৰ ভয়-ভীতি নাছিল। কিয়নো, ৰজা শান্তবৰ্মাই সকলোটিৰে সৈতে সন্মানজনক সুসম্পৰ্ক বজায় ৰাখিছিল। ৰজা শান্তবৰ্মাদেৱে দেশৰ বিভিন্ন অঞ্চলত ভ্ৰমি প্ৰজাবৰ্গৰ সুখ-দুঃখৰ খবৰ লৈছিল।

এইদৰে, এবাৰ দেশৰ বিভিন্ন প্ৰান্তত ঘূৰি ফুৰোঁতে গভীৰ অৰণ্যত এগৰাকী সাধুৰ আশ্ৰম দেখা পালে। সাধুগৰাকীৰ নাম জ্ঞানানন্দ। ৰজাই সাধু জ্ঞানানন্দৰ আশ্ৰমলৈ গৈ তেওঁক দৰ্শন কৰিলে।

সাধু জ্ঞানানন্দই ৰজা শান্তবৰ্মাদেৱলৈ সাদৰ সম্বৰ্ধনা জ্ঞাপন কৰিলে আৰু ক'লে, "হে ৰজা, তোমাৰ ধৰ্মবুদ্ধিৰ সম্পৰ্কে অনেক কথা শুনিলোঁ। তোমাৰ ৰাজত্বত দেশৰ প্ৰজাবৰ্গ যে মহাসুখেৰে জীৱনযাপন কৰিছে তাকো শুনিলোঁ। তোমাৰ নিচিনা প্ৰজামংগলকাৰী ৰজা অতি দুৰ্লভ। এতিয়া তুমি যিহেতুকে মোৰ আশ্ৰম পৰিদৰ্শনলৈ আহিছা, ময়ো তোমাক এটা বৰ দিব খুজিছোঁ। কি বৰ লাগে কোৱা।"

এই কথাৰ উত্তৰত শান্তবৰ্মাদেৱে নম্ৰতাৰে ক'লে, "হে মহাত্মা, প্ৰজাৰ মংগলৰ বাবে মই বহুধৰণৰ কৰ্মসূচী গ্ৰহণ কৰিছোঁ; সেইবোৰ আঁচনি দ্ৰুততাৰে কাৰ্য্যকৰী কৰিবলৈকো চেষ্টা কৰিছোঁ; কিন্তু কাৰ্য্যকৰী কৰিব পৰা নাই। আমাৰ দেশত প্ৰাকৃতিক দুৰ্যোগ—বানপানী,

খৰাং বতৰ আদি—লাগিয়েই থাকে। কিন্তু প্ৰকৃতিক তো মই কবায়ত্ত কৰিব নোৱাৰো। এনে অৱস্থাত—আপুনি যদি কিবা উপায় দিয়ে তেনেহ'লে মই প্ৰজাসৱৰ মংগল অধিককৈ কৰিব পাৰোঁ।"

সাধু জ্ঞানানন্দই হাঁহিৰে মুখখন উজলাই লৈ ক'লে, "তোমাৰ কৰ্মসূচী আৰু পৰিকল্পনা বৰ ভাল। এতিয়া—তোমাৰ কৰ্মচাৰীসকলে যদি এই কৰ্মসূচীক বাস্তৱায়িত কৰিব খোজে—সঠিকভাৱে ৰূপায়িত কৰিব খোজে—তেহে সম্ভৱ।"

ৰজাৰ শান্তবৰ্মাই ক'লে, "মোৰ অধীনস্থ দক্ষ কৰ্মচাৰীৰ সংখ্যা প্ৰচুৰ আৰু তেওঁলোকৰ ওপৰত মোৰ আস্থাও নথকা নহয়। কিন্তু যিমান দ্ৰুততাৰে মই মোৰ আঁচনিসমূহ ৰূপায়িত কৰিব খুজিছোঁ, সিমান দ্ৰুততাৰে তেওঁলোকে কৰিব পৰা নাই।"

জ্ঞানানন্দ সাধুৱে অলপ পৰলৈ ভাবি লৈ ক'লে, "হে ৰজা, এই সমস্যাৰ নিৰসনাৰ্থে মই তোমাক যন্ত্ৰ এটা দিছোঁ। এই যন্ত্ৰটোক মূৰৰ ওপৰত থৈ যি খুজিবা, যন্ত্ৰই তাৰ ভাল-বেয়া উচিত-অনুচিত কৈ দিব। যন্ত্ৰৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিলেই দ্ৰুততাৰে কাম হব।"

এই বুলি কৈ, সাধু জ্ঞানানন্দই ৰজা শান্তবৰ্মাক যন্ত্ৰটো দিলে আৰু পুনৰ ক'লে, "হে ৰজা, এই মন্ত্ৰৰ কথা তোমাক

কওঁ শুনা। মই মোৰ তপস্যাৰ তথা সিদ্ধিলাভৰ অৰ্ধাংশৰ বিনিময়ত এই যন্ত্ৰটো লাভ কৰিছোঁ। মই যিমান দিন জীয়াই থাকিম, এই যন্ত্ৰটোও সিমানদিনলৈকেহে কাৰ্য্যকৰী হৈ থাকিব। মোৰ মৃত্যুৰ লগে লগে যন্ত্ৰটোৱে তাৰ কাৰ্য্যকাৰিতা হেৰুৱাই পেলাব। এতিয়া মোৰ বয়সে আশীৰ ডেওনা পাইছেগৈ। বৰ বেছি আৰু পোন্ধৰ বছৰমান জীয়াই থকাৰ আশা কৰিব পাৰোঁ। গতিকে—এই পোন্ধৰ বছৰৰ ভিতৰত তোমাৰ কল্যাণ-মূলক কৰ্মসূচী ৰূপায়িত কৰি লোৱাঁ।"

জ্ঞানানন্দৰ কথা শেষ হোৱাৰ লগে লগে ৰজা শান্তবৰ্মাদেৱে জ্ঞানানন্দক ক'লে, "হে মহাত্মা, এই যন্ত্ৰ মই গ্ৰহণ নকৰোঁ, আপুনি ঘূৰাই লওক যন্ত্ৰটো।"

সাধু জ্ঞানানন্দই আচৰিত হৈ ক'লে, "কি হ'ল ৰজা, কিয় তুমি ঘূৰাই দিছা? ইমান আপুৰুগীয়া বস্তু কোনোবাই পায়ো ঘূৰাই দিয়েনে! এই যন্ত্ৰটোক কমেও পোন্ধৰ বছৰ ব্যৱহাৰ কৰিব পাৰিবা। এই সময়ৰ ভিতৰত তোমাৰ ঢেৰ ইচ্ছা পূৰণ হ'ব বুলি আশা কৰোঁ।"

"হে মহাত্মা, আপুনি এই যন্ত্ৰ মোক নিদিব। এই যন্ত্ৰৰ কাৰ্য্যক্ষমতাই মোৰ তাৎক্ষণিক প্ৰয়োজন পূৰাব ঠিকেই; কিন্তু ভৱিষ্যতত আমি বৰ বিমোৰত পৰিম। যন্ত্ৰই যেতিয়া তাৰ কাৰ্য্যকাৰিতা হেৰুৱাব, তেতিয়া আমি এক দাৰুণ অসহায় অৱস্থাত পৰিম। কিয়নো, আমি হৈ পৰিম যন্ত্ৰ-নিৰ্ভৰ। অথচ—ভাবি চাওক সমস্যাই তেতিয়াও আমাক নেৰে।"

জ্ঞানানন্দই যন্ত্ৰটো ঘূৰাই ল'লে, শান্তবৰ্মাক তুনাই অনুৰোধ নকৰিলে যন্ত্ৰটো ল'বলৈ।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ৰজা শান্তবৰ্মাৰ লোভৰ সীমা-পৰিসীমা নাই। নহ'লে—ইমান ক্ষমতাসম্পন্ন

যন্ত্ৰটোক কোনোবাই নোলোৱাকৈ থাকেনে? এই যন্ত্ৰটো সাধাৰণ যন্ত্ৰ নাছিল, সাধু জ্ঞানানন্দৰ আজীৱনকালৰ তপস্যাৰ ফলেৰে অৰ্জিত আছিল এই যন্ত্ৰ। এতেকে—এই যন্ত্ৰ ঘূৰাই দিয়াটোক এক অতিলোভীৰ অৰ্থহীন মূৰ্খতাৰ বাহিৰে আৰু কি কোৱা যাব? হে ৰজা মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও তুমি যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, "হে বেতাল, ৰজা শান্তবৰ্মাৰ এই কাৰ্য্যৰ আঁৰত গভীৰ তাৎপৰ্য্য নিহিত আছে। ৰজাই আৰু তেওঁৰ কৰ্মচাৰীসকলে বুদ্ধি খটুৱাই কল্যাণমূলক পৰিকল্পনা কৰিছিল, আৰু সেইবোৰক কাৰ্য্যকৰী কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লৈছিল। এইবোৰ পৰিকল্পনাৰ গুৰিত থাকে চিন্তাশক্তি! মানুহে যদি তাৰ চিন্তাশক্তি হেৰুৱাই পেলায়; তেনেহ'লে আৰু নো কি থাকিব? দীৰ্ঘকাললৈ যন্ত্ৰ-নিৰ্ভৰ হোৱাৰ ফলত মানুহৰ চিন্তাশক্তি অৱশ্যেই ভোটা হৈ পৰিব। আনকি অতি দক্ষ কৰ্মীসকলো অদক্ষ আৰু অকামিলা হৈ পৰিব—এই সম্ভাৱনাক উৰাই দিব নোৱাৰি। তেতিয়া—ৰজা তথা কৰ্মচাৰীসকলো সকলো-ফালৰেপৰাই দুৰ্বল হৈ পৰিব, আৰু এই দুৰ্বলতা তথা মস্তিষ্কৰ অকাৰ্য্যকাৰিতাই দেশৰ মহাবিপদক মাতি আনিব। গতিকে—এই ক্ষেত্ৰত ৰজা শান্তবৰ্মাৰ কাৰ্য্যক শলাগিবহে লাগিব। তেওঁৰ কাৰ্য্য আছিল তাৎপৰ্য্যময় তথা অত্যন্ত যুক্তিপূৰ্ণ। একোপধ্যেই তেওঁৰ কাৰ্য্যক মূৰ্খতা বুলি অভিহিত কৰিব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



জ্ঞান আৰু ধন

বিৰাট হাবিৰ কাষত এখন গাঁও আছিল। এই গাঁৱত এজন দুখীয়া ব্ৰাহ্মণ মানুহ বাস কৰিছিল। এই দুখীয়া ব্ৰাহ্মণ মানুহজনৰ চুবুৰীয়া আন এজন দুখীয়া মানুহ আছিল। ব্ৰাহ্মণৰ চুবুৰীয়া এই দুখীয়া মানুহজনে সেই বিৰাট-বিশাল হাবিৰপৰা নিতৌ খৰিকাঠ বুটলি আনি, বজাৰত বেচি, কথমপি প্ৰাণৰক্ষা কৰিছিল।

কিন্তু এদিন হঠাতেই যেনিবা— এই খৰিকটীয়া মানুহজনৰ কপাল ফুলিল। ক'ৰপৰা কেনেকৈ যে কি হৈ গ'ল— কিহৰপৰা কি হ'ল—ই গাঁও সি গাঁও দহখন গাঁৱৰ কোনেও ক'ব নোৱৰা হ'ল।

সি এটা ডাঙৰ পকী ঘৰ সাজিলে। তাৰ পাছত তাৰ আৰু তাৰ ল'ৰা-ছোৱালী-পৰিবাৰ আদিৰ সাজ-পাৰতো বিপুল পৰিৱৰ্তন ঘটিল। সিহঁতে দামী দামী পোছাক-পাতি পিন্ধিবলৈ ধৰিলে।

খুদ-মগনীয়া খৰি-কটীয়াৰ এই কপালৰ খেল দেখি দুখীয়া বামুণৰ মনত খলমলনি উঠিল। সি খৰিকটীয়াই ইমান ধন-বিত ক'ৰপৰা পালে—সেই কথাৰ ভু ল'বলৈ বামুণ মানুহজন আস্ত-বেস্ত হৈ উঠিল। বামুণে তেওঁৰ মনৰ কথাখিনি পৰিবাৰক ক'লে। তেতিয়া বামুণৰ পৰিবাৰে বামুণক ক'লে, "তুমি ইমান বাস্ত নহ'বাচোন। মই দুই-এদিনতে এই কথাৰ কপালৰ এই খেলৰ শুং-সূত্ৰ জানি ল'ম।"

কেইদিনমানৰ আগতে দিনে-নিশাই ধাৰাসাৰ বৰষুণ দিছিল একেৰাহে বহু-দিনলৈ। খৰিকটীয়া পৰিল মহা বিপদত।

পৰিমল পাঠক



দুই-চাৰি টকা যিওবা সাঁচতীয়া আছিল—খৰচ হৈ গ'ল। ইপিনে বৰষুণো নেৰেহে নেৰে। তেতিয়া—এদিন সি তাৰ কাঠ-ফলা কুঠাৰখন হাতত লৈ গাঁৱৰ এমূৰত থকা পুৰণিকলীয়া মন্দিৰলৈ গ'ল। এই মন্দিৰত দেৱতাৰ দাৰুমূৰ্তি অৰ্থাৎ কাঠেৰে সজা দেৱমূৰ্তি আছিল। সেই কাঠৰ দেৱমূৰ্তিক কুঠাৰেৰে ফালি নিবলৈ খৰি-কটীয়াই কুঠাৰ দাঙিলে। আৰু—লগে লগে সেই কাঠৰ দেৱমূৰ্তিয়ে খৰিকটীয়াক কৈ উঠিল: "ৰ'বা!"

দাঙিধৰা কুঠাৰ দাঙি ধৰাতে থাকিল। কাঠৰ দেৱমূৰ্তিয়ে খৰিকটীয়াক ক'লে, "শুনা, তুমি মোক নাফালিবা। তোমাক যদি ধন লাগে—ধন পাবা। প্ৰতি সোমবাৰে সোমবাৰে ধলপুৱাতে এই গাঁৱৰ একমাত্ৰ নৈত ডুব দিবাগৈ, আৰু লগে লগে নৈৰ পানীৰপৰা তুমি এটাকৈ সোণৰ মোহৰ পাবা।"

"এয়ে হ'ল খৰিকটীয়াইঁতৰ কপাল ফুলাৰ ৰহস্য।" বামুণৰ পৰিবাৰে পুনৰ বামুণক ক'লে, "চোৱা, খৰিকটীয়াই যেতিয়া পালে—তুমিও নোপোৱাৰ কাৰণ নাই। এটা কাম কৰা, এখন কুঠাৰ লৈ তুমি যোৱা তালৈ—মানে আমাৰ গাঁৱৰ সেই পুৰণা মন্দিৰলৈ। কিন্তু চাবা—সঁচাসঁচিকৈ দেৱমূৰ্তিক ফালি নেপেলোৱা যেন, ফালি পেলোৱাৰ ভাওহে জুৰিবা মাথোন। তোমাকো নিশ্চয় কাঠৰ দেৱতাই খৰিকটীয়াক দিয়াৰ দৰে—তেনেকৈ বৰ দিব।"

কিন্তু পৰিবাৰৰ এই পৰামৰ্শ ব্ৰাহ্মণে বৰ ভাল নাপালে। তেওঁ ভাবিলে: দেৱমূৰ্তি ফালিবলৈ আনকি চিন্তা কৰাও পাপ, কুঠাৰ দাঙিলে তো পাপে ছুবই ছুব। কিন্তু পাছমুহূৰ্তত মনত পৰিল দাৰিদ্ৰ্যৰ কথা। আৰু—তেতিয়া মনৰ ইচ্ছা নথকা সত্বেও পৰিবাৰৰ পৰামৰ্শ মতে কাম কৰিব বুলি স্থিৰ কৰিলে। কেনেবাকৈ

যদি দেৱমূৰ্তিয়ে খৰিকটীয়াক বৰ দিয়াৰ দৰে তেওঁকো দিয়ে, আনকি খৰিকটীয়াক দিয়াৰ আধাখিনিও দিয়ে যদি—তেনেহ'লে এই অসহনীয় দুখ-দাৰিদ্ৰ্য গুচিব।

অতঃপৰ প্ৰকাণ্ড কুঠাৰ এখন হাতত লৈ বামুণ মন্দিৰৰ ভিতৰত সোমালগৈ অনিচ্ছাসত্বেও কুঠাৰখন দাঙিলে ব্ৰাহ্মণে। কিন্তু কাঠৰ দেৱমূৰ্তিৰপৰা এটা শব্দও নোলাল। বামুণে কি কৰিব—কি নকৰিব ভাবি উলিয়াব নোৱাৰি কুঠাৰ দঙা অৱস্থাতে স্থিৰভাৱে থিয় হৈ থাকিল। এইদৰে, বহুতোপৰলৈকে চাই থকাৰ অন্তত বামুণৰ মনত দেৱতালৈ বিষম ভয় সোমাল। পাছমুহূৰ্ত্ততে, ভয়তে কঁপিজঁপি বামুণ মূছকঁছ গ'ল আৰু ধুকস্ককৰে মাটিত বাগৰি পৰিল।

তেতিয়া দেৱমূৰ্তিয়ে কৈ উঠিল: "বোপা, তুমিনো জ্ঞানী মানুহ এজন হৈয়ো এনেকুৱা পাপকাৰ্য্য কৰিবলৈ ওলাইছিলা কিয়? তুমি হ'লা মোৰ ভক্ত। তোমাৰ বুদ্ধি আছে, জ্ঞান আছে। খৰিকটীয়াৰ দৰে তুমিও অজ্ঞানৰ কাম কৰিবানে? মূৰ্খ-অজ্ঞান খৰিকটীয়াক মই একো নিদিয়াহেঁতেন সি মোক কুঠাৰেৰে ফালি পেলালেহেঁতেন, বজাৰত খৰি হিচাপে বেচি দিলেহেঁতেন। সেই বুলি—তুমিও তাকে কৰিবানে?"

দেৱতাৰ কথা শুনি বামুণে লাজ পালে আৰু দেৱতাক প্ৰণাম কৰি ঘৰমুৱা হ'ল। ঘৰ পাই বামুণে শান্ত কণ্ঠেৰে পৰিবাৰক ক'লে, "মই বৰ ভাগ্যৱান। দেৱতাই মোৰ লগত পথা পাতিলে আৰু তেওঁ মোৰ শুভবুদ্ধি জাগ্ৰত কৰিলে। জ্ঞান আৰু ধন একেলগে পোৱা নাযায়। আমাৰ যি আছে—সেয়ে আমাৰ। আৰু তাৰে আমি সন্তুষ্ট থকা উচিত।" ব্ৰাহ্মণীয়ে এই সজ কথাৰ একো প্ৰতিবাদ নকৰি মনে মনে থাকিল।



প্ৰতিবাদ

ধৰ্মপুৰ নামৰ এখন গাঁৱত চণ্ডুলাল নামৰ এজন গৃহস্থ আছিল। চণ্ডুলালৰ একমাত্ৰ ল'ৰাটোৰ নাম আছিল শান্তশীল। চণ্ডুলাল আছিল প্ৰচণ্ড খঙাল। নিচেই তুচ্ছ কাৰণতো সি শান্তশীলক ডাবি-ধমকি দিছিল, গালি পাৰিছিল।

এইদৰে, গালি-শপনি, ডাবি-হুকি, চিঞৰ-বাখৰৰ মাজত শান্তশীল ডাঙৰ-দীঘল হ'ল। সি বিয়া কৰোৱাৰ লায়ক হৈ উঠিল। কিন্তু তাক কোনেও ছোৱালী নিদিয়ে। চুবুৰীয়া গাঁৱত দণ্ডপাণি নামৰ সিহঁতৰ এক দূৰসম্পৰ্কীয় আত্মীয়ৰ এজনী বিবাহযোগ্যা ছোৱালী আছিল। দণ্ডপাণিয়ে তেওঁৰ জীয়েক বাসন্তীৰ বিয়াৰ কথা ভাবি চিন্তিতো হৈছিল। কিন্তু সেই বুলি সাত চৰতো ৰাও নোলোৱা শান্তশীলৰ হাতত বাসন্তীক নিদিয়ে তেওঁ। শান্তশীল ল'ৰাটো একেবাৰে বুদ্ধিহীন। তাৰ দেউতাকে 'উঠ্' বুলিলে উঠে, আৰু 'বহ' বুলিলে বহে। এনেহেন বেচেৰাক ছোৱালী দিব কোনে?

এবাৰ চণ্ডুলালে তাম্ৰপুৰীৰপৰা আম কিনি আনিবলৈ শান্তক তালৈ পঠালে। আম সস্তাত পালেহে আনিব—এই কথাটো চণ্ডুৱে শান্তক দঢ়াই দঢ়াই কৈ দিছিল।

গধূলিৰ আগে আগে শান্তশীলে পঞ্চাছটা আম কিনি লৈ উভতি আহিল। আমকেইটাৰ দাম দহ টকা—এই কথা শুনিয়েই চণ্ডুলালে চকু পকাই কৈ উঠিল, "তোৰ আশী বছৰতো বুদ্ধি নহ'ব। দহ টকাৰে পঞ্চাছটা আম কিনিলি কেলেই? তোৰ এই নিৰ্বুদ্ধিতাৰ কাৰণেহে

ৰমেশ বৰপূজাৰী



তোক কোনেও ছোৱালী নিদিয়ে।"

গোটেই দিনটো ধৰি খোজ কাঢ়ি কাঢ়ি শান্তশীল ভাগৰি পৰিছিল; সি ক'লে, "চোৱা দেউতা, কোনোবা বস্তুৰ দাম আমাৰ গাঁৱত কম আৰু আন গাঁৱত বেছি হ'লেহে দামী বা সস্তীয়া বুলি তুলনা কৰিব পাৰি। কিন্তু আমাৰ গাঁৱত আমেই নাই। গতিকে বৰ বেছি দাম হ'ল বুলি কেনেকৈ কৈছা? আমকেইটা তেৰটকা দাম খুজিছিল, মই দৰ-দাম কৰি দহ টকাৰে আনিলোঁ। আৰু—"

"আৰু বেলবেলাব নালাগেচোন—।" চণ্ডলালে শান্তশীলৰ কথাৰ মাজতে বাধা দি কৈ উঠিল, "আমৰ কথাত আৰু আমনি দি নাথাকিবি।"

"কিন্তু কিছুমান কথা আছে--যি কথা নক'লেই নহয়। আম কিনোতে তাত মোৰ লগত আদৰ্শ পেহাৰ দেখাদেখি। তুমি হেনো তেওঁৰপৰা এশটকা পাবা। তেওঁ সেই টকা এশ মোৰ হাতত দিলে তোমাক দিবলৈ। এয়া লোৱা টকা এশ।" এই বুলি কৈ, শান্তশীলে পুনৰ অশান্তভাৱে কৈ থাকিল, "শুনা দেউতা যি কথা কেতিয়াও কোৱা নাই, আজি তোমাক কওঁ। তুমি ভাল পোৱা বা নোপোৱা—মই ক'মেই, ক'বই লাগিব। মোৰ ওপৰত তোমাৰ অকাৰণেই খং উঠে, মোক ছোৱাই-নোছোৱাই গালি পাৰি থাকা তুমি। এই স্বভাৱৰ কাৰণেহে কোনেও তোমাৰ ঘৰলৈ ছোৱালী নপঠায়। কিয়নো, আনৰ ছোৱালীকো যে তুমি তেনেকৈ নক'বা তাৰ কোনো নিশ্চয়তা নাই। এতেকে—"

শান্তশীলৰ কথা নোশেষ হওঁতেই সিহঁতৰ ঘৰৰপৰা দণ্ডপাণি ওলাই আহিল। বিস্মিত শান্তশীলে দণ্ডপাণিক সুধিলে, "আপুনি আহিল—কেতিয়ানো?"

"বহু সময় হ'ল, বোপা! তোমাক বিচাৰিয়েইহে আহিছিলোঁ। তুমি তাম্র-

পুৰীলৈ যোৱা বুলি শুনিলোঁ।” দণ্ডপাণিয়ে শান্তশীলক ক'লে।

দণ্ডপাণিয়ে যে আঁৰত থাকি দেউতাকক কোৱা কথাখিনি শুনিলে— সেই কথাৰ উমান লৈ শান্তশীলে দণ্ডপাণিক ক'লে, “আপুনি ইয়ালৈকে আহিছিলনে আন ক'ৰবালৈ—”

“আহিছিলোঁ। আমাৰ মীনক্ষীজনীৰ কাৰণে সুপাত্ৰ বিচাৰি।” দণ্ডপাণিয়ে হাঁহি হাঁহি ক'লে।

“অ—” শান্তশীলে থতমত খাই সুধিলে, “পালেনে বিচাৰি?”

“পালোঁ তো।” দণ্ডপাণিয়ে মিচিকীয়াই হাঁহি থাকিল।

বিয়াৰ কথা-বতৰা যে হৈ গ'ল— শান্তশীলে নুবুজাকৈ নাথাকিল।

পাছদিনা দণ্ডপাণিয়ে তেওঁৰ পৰিবাৰক ক'লে, “শুনিছানে হেৰা, আমাৰ মীনাক্ষীজনীৰ বিয়া খাটাং কৰি আহিলোঁ।”

“ক'ত?” পৰিবাৰে সুধিলে।

শান্তশীলৰ নাম শুনি, আচৰিত হৈ, দণ্ডপাণিৰ পৰিবাৰে ক'লে, “তুমি শেহলৈ এটা অলগৰ্ধক দিবানে তাইক? তাতকৈ তাই কাৰণে এগৰছী ৰছী আৰু কলহ এটা কিনি নানা কিয়?”

দণ্ডপাণিয়ে হাঁহি মাৰি ক'লে, “এ— ইমানকৈ নক'বাচোন। ইমান দিন ধৰি শান্তশীলৰ সম্পৰ্কে আমি যি শুনি আহিছোঁ, সেয়া যে ভুল, মই নিজেই তাৰ প্ৰমাণ পালোঁ।” এই কথা কৈ, তাৰ পাছত তেওঁ আনুপূৰ্বিক ঘটনাৰ বিবৰণ দিলে আৰু পুনৰ ক'লে, “আচলতে শান্তই লোকৰ আগত তাৰ দেউতাকক অপদস্থ নকৰে; কিন্তু অন্যায়ৰ প্ৰতিবাদ সি নকৰাকৈ নাথাকে। তাৰ এই গুণৰ কথা কালিহে মই আৱিষ্কাৰ কৰিলোঁ।”

পৰিবাৰে গিৰিয়েকৰ কথাৰ একো প্ৰতিবাদ নকৰি মনে মনে থাকিল।





মুক্তিৰ পথ

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্ত্ব এক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। বোধিসত্ত্বৰ পিতৃ আছিল এগৰাকী বিখ্যাত মণি-মুকুতাৰ বেপাৰী। তেওঁ অধ্যয়নৰ বাবে বোধিসত্ত্বক এগৰাকী গুৰুৰ আশ্ৰমত থৈ দিলে। ষোল্ল বছৰ বয়সলৈকে বোধিসত্ত্ব তাত অখণ্ড মনোযোগৰে অধ্যয়নাদি কৰি থাকিল।

অধ্যয়নাদি সাং কৰি ঘৰলৈ উভতি অহাৰ পাছত বোধিসত্ত্বৰ দেউতাকে বোধিসত্ত্বক ক'লে, "বোপা, তুমি মোৰ একমাত্ৰ সন্তান। ব্যৱসায়ৰ ভাল-বেয়া বহুতো নজনা-নুশুনা কথা শিকিবলগীয়া আছে। যদি এতিয়াৰেপৰা শিকা, তেনেহ'লে ভাল হ'ব। কিয়নো, মই আৰু সৰহদিনলৈ কাৰবাৰ চলাব নোৱাৰিম এই কথা ধ্ৰুৱ। বুঢ়া হ'লোঁ মই।"

বোধিসত্ত্ব পিতৃৰ প্ৰস্তাৱত সন্মত হ'ল। সাতদিনৰ পাছত মণি-মুকুতা আদি লৈ তেওঁৰ দেউতাকৰ সৈতে বোধিসত্ত্বই বেপাৰ কৰিবলৈ ৰাওনা হ'ল।

বিভিন্ন নগৰ-চহৰত মণি-মুকুতা বেচি বেচি— এদিন দুয়ো বাৰাণসী নগৰ পালেহি। তেতিয়া সাঁজ লাগি ভাগিছে। বোধিসত্ত্বই নগৰৰ প্ৰধান দুৱৰীৰ ওচৰলৈ গৈ সেই দুৱৰীৰপৰা নগৰত প্ৰৱেশ কৰাৰ অনুমতি খুজিলে।

দ্বাৰপালে অৰ্থাৎ দুৱৰীয়ে বোধিসত্ত্বক ক'লে, "চাওক, আপোনালোকক বেছ আচাৰবন্ত মানুহ যেন বোধ হৈছে। কিন্তু ৰাজকীয় আদেশ-নিৰ্দেশ পৰম নিষ্ঠাৰে পালন নকৰি নোৱাৰোঁ মই। সূৰ্য্যাস্তৰপৰা

সূৰ্য্যোদালৈকে এই নগৰৰ দুৱাৰ খোলা একেবাৰে নিষিদ্ধ।"

বোধিসত্ত্ব আৰু তেওঁৰ পিতৃদেৱ চিন্তাত পৰিল। এতিয়া উপায়? দেউতাকে ক'লে, "আজি ৰাতিৰ আহাৰ আমি ক'ত কৰিম তেন্তে? নগৰত সোমাব পৰাহেঁতেন খোৱাৰ আৰু বিশ্ৰাম কৰাৰো চিন্তা নাথাকিলহেঁতেন। এতিয়া তেন্তে কি কৰোঁ কোৱাচোন বোপা?"

তেওঁলোকৰ কথা শুনি দ্বাৰপালে দয়াপৰবশ হৈ ক'লে, "আপোনালোকৰ ওচৰত যদি ৰন্ধা-বঢ়াৰ বাচন-বৰ্তন আছে—মোৰ ঘৰতে ৰান্ধি-বাঢ়ি খাব পাৰে। মোৰ ঘৰ নিচেই ওচৰত।"

বোধিসত্ত্ব আৰু তেওঁৰ দেউতাক দ্বাৰপালৰ প্ৰস্তাৱত সন্মত হ'ল। দ্বাৰপালৰ ঘৰটো আছিল সৰু। ইমানেই সৰু যে আনকি দুজনৰ পক্ষে শুবলৈকো টান।

ৰান্ধি খোৱাৰ সুবিধাকণ দিয়াৰ বাবে দ্বাৰপালৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি বোধিসত্ত্বৰ দেউতাকে ক'লে, "আপুনি আমাৰ যি উপকাৰ কৰিলে তাৰ বাবে আমাৰ কৃতজ্ঞতা গ্ৰহণ কৰক। পিছে ৰাতি ছোৱা অলপ শুবলৈ পোৱাহেঁতেন আমাৰ বৰ উপকাৰ হ'লহেঁতেন।"

"নগৰৰ শেষপ্ৰান্তত এটা পঁজাঘৰ আছে। সেই ঘৰটোত ভূত-প্ৰেত থকা বুলি ৰাইজে কয়। আপোনালোকৰ যদি সাহস আছে—তাত থাকিবগৈ পাৰে।" দুৱৰীয়ে ক'লে।



ভূত-প্ৰেতৰ কথা শুনি বোধিসত্ত্বৰ দেউতাকে ভয় খালে। কিন্তু বোধিসত্ত্বই ক'লে, "দেউতা, ভূত-প্ৰেতলৈ ভয় কৰিবলগীয়া একো নাই। মই দহবছৰ-কাল ধৰি গুৰুৰপৰা যিখিনি বিদ্যা আয়ত্ত কৰিলোঁ—মোৰ আশা—তাত একো অসুবিধা আমি নাপাওঁ। তদুপৰি, মোৰ বিদ্যাৰ পৰীক্ষাও এটা হৈ যাব। সুযোগ পালে আজিয়েই মোৰ বিদ্যাৰ কাৰ্য্য-



কাৰিতাৰ প্ৰমাণ দিম মই।”

দুয়ো সেই পঁজা ঘৰটোত সোমালগৈ আৰু লগালগি হৈ শুই দিলে।

এই পঁজা ঘৰটোত নৰমাংস ভক্ষণকাৰী এটা যক্ষ বাস কৰিছিল। যোৱা কিছু দিন ধৰি মানুহৰ মাংস খাবলৈ নাপাই প্ৰচণ্ড ভোকৰ পোৰণিত সি অস্থিৰ হৈ উঠিছিল। এনেতে দেউতাক-পুতেকক একেলগে দেখা পাই যক্ষই আনন্দতে তিনি জাঁপ মাৰি দিলে।

কিন্তু যক্ষৰ এটা অভিশাপ আছিল এয়ে যে—কোনোবাই যদি হাঁচিয়ায় আৰু 'সত্য সত্য' বুলি কয় তেনেহ'লে সেইজনক আৰু খাব নোৱাৰিব।

বোধিসত্ত্ব আৰু তেওঁৰ দেউতাকৰ মাজত কোনোবা এজনে হাঁচি মাৰিবই—এই আশাৰে যক্ষ বাট চাই থাকিল। কিন্তু বহুতো পৰলৈকে বাট চাই থকাৰ পাছতো যেতিয়া এজনেও হাঁচি নামাৰিলে, তেতিয়া যক্ষই এমুঠি ছাই ছটিয়াই দিলে।

আৰু বোধিসত্ত্বৰ দেউতাকে কেই-মুহূৰ্তমানৰ পাছত হাঁচি মাৰিলে। কিন্তু কাষতে শুইতে শুই থকা বোধিসত্ত্বই 'সত্য সত্য' বুলি নক'লে। এই কথাত যক্ষই ভালেই পালে। সি ঘৰৰ চৌকাঠৰ ওপৰত বাস কৰিছিল। সি আনন্দ মনেৰে চৌকাঠৰপৰা নামি আহিবলৈ ধৰোঁতেই বোধিসত্ত্বই তেওঁৰ দেউতাকক ছুই তৎক্ষণাৎ কৈ উঠিল, “সত্য সত্য।”

যক্ষ নিৰাশ হ'ল। কিন্তু পাছমুহূৰ্ততে বোধিসত্ত্বই জোৰেৰে হাঁচি মাৰিলে আৰু যক্ষ পুনৰ উৎফুল্ল হৈ উঠিল। যক্ষই ভাবিলে—কাষত থকা মানুহজনে যদি 'সত্য সত্য' বুলি নকয়, তেনেহ'লে এইবাৰ ইয়াক মই খাব পাৰিম। কিন্তু বোধিসত্ত্বৰ দেউতাকে 'সত্য সত্য' বুলি ক'লে।

মুখৰ আগত খাদ্য, অথচ খাব পৰা নাই—এই খণ্ডতে যক্ষ বলিয়াহেন হৈ উঠিল। তেতিয়া বোধিসত্ত্বই যক্ষক



আদেশৰ সুৰত মাতিলে, "হেৰা যক্ষ, তুমি এইফালে আহাঁচোন।"

বোধিসত্বৰ চকুমুখত এক উজ্জ্বল জ্যোতি লক্ষ্য কৰি যক্ষই ভয়ে ভয়ে কৰযোৰে থিয় হ'লহি তাত।

বোধিসত্বই যক্ষলৈ শান্ত দৃষ্টিৰে চাই ক'লে, "তোমালোক, যক্ষইত যে নৰভক্ষক সেই কথা আমি জানো। তথাপি তুমি আমাক কিয় খাব পৰা নাই কোৱাচোন?"

"হে মহান, এগৰাকী ঋষিৰ অভিশাপৰ ফলত মই মোৰ ইচ্ছা সদায় পূৰণ কৰিব নোৱাৰোঁ।" যক্ষই বোধিসত্বক ক'লে।

"কিনো সেই অভিশাপ?" বোধিসত্বই যক্ষক সুধিলে।

"মই যোৱা পঞ্চাছ বছৰ ধৰি অৰণ্যত থাকি মানুহ ধৰি ধৰি খাই আছিলোঁ। এদিন এজন মানুহক নৈলৈ যোৱা দেখি মই খৰধৰকৈ গৈ পিছফালৰপৰা তাৰ ডিঙিত টিপা মাৰি ধৰিলোঁ। কিন্তু লগে মই উফৰি পৰিলোঁ। আৰু—"

যক্ষৰ কথাৰ মাজত বাধা দি বোধিসত্বই কৈ উঠিল, "তুমি নিশ্চয় অহংকাৰমত্ত হৈ কোনোবা মুনি-ঋষিক ধৰি খাবলৈ ওলাইছিলা। নহয়নে? তাৰ ফলতে তোমাৰ এই অৱস্থা।"

"হে মহাত্মা, আপোনাৰ অনুমান আখৰে আখৰে সঁচা। তাৰ পাছত সেই মুনিয়ে মোক গোৰ এটা মাৰি চিঞৰি কৈ উঠিল, 'হেৰ পাপী, এই অঞ্চলত তইহে তেন্তে মানুহ ধৰি ধৰি খাই আছ? তই যে কিমানক খালি তাৰ সীমা-সংখ্যা নাই। আজি মই তোক অভিশাপ দিছোঁ—এতিয়াৰপৰা যিজনে হাঁচি মাৰিব কেৱল সেইজনকহে তই ধৰি খাব পাৰিবি। কিন্তু—হাঁচি মৰা মানুহজনে, বা তাৰ লগৰীয়া কোনোবায়ো যদি 'সত্য সত্য' বুলি কয় হাঁচি মৰাৰ পাছত—তই সেইজন মানুহক ধৰি খাব নোৱাৰিবি। তথাপি যদি—মোৰ শাওপাত উলাই কৰি

ধৰি খাব—তই লগে লগে পুৰি ভস্ম হ'বি।' হে মহাত্মা, এয়ে হ'ল সেই ঋষিৰ অভিশাপৰ কাহিনী—যাৰ ফলত এতিয়া মই প্ৰায়েই ভোকে-লঘোনে কটাবলগীয়া হওঁ।" যক্ষই বোধিসত্ত্বৰ আগত খেদ প্ৰকাশ কৰি ক'লে।

যক্ষৰ কথা শুনি বোধিসত্ত্বৰ প্ৰাণত যক্ষৰ প্ৰতি পুতৌ উপজিল। বোধিসত্ত্বই যক্ষক বুজাই ক'লে যে হিংসা হ'ল মহাপাপ। যিকোনো প্ৰাণীক হত্যা কৰা পাপ। অহিংসা হ'ল মুক্তিৰ একমাত্ৰ পথ। এনেধৰণৰ উপদেশমূলক কথা বুজাই কোৰাৰ অন্তত বোধিসত্ত্বই যক্ষক লৈ গ'ল কাশীৰ ৰজাৰ ওচৰলৈ।

সকলো ঘটনা শুনাৰ পাছত ৰজাই বোধিসত্ত্বক প্ৰণাম কৰি ক'লে, "আপুনি হ'ল মহাশক্তিমান। আপোনাৰ অনুগ্ৰহতে যক্ষ পৰিৱৰ্তিত হ'ল, আৰু—আৰু মোৰ কোনো প্ৰজা যক্ষৰ হাতত নমৰে। নৰভুক এই যক্ষই আমাক বহুকাল ধৰি অবৰ্ণনীয় কষ্ট দিলে। আপুনি অনুগ্ৰহ কৰি আমাৰ দেশৰ সেনাপতিৰ পদ গ্ৰহণ কৰক।"

ৰজাৰ অনুৰোধত বোধিসত্ত্বই সেনাপতিৰ পদ গ্ৰহণ কৰিলে। বোধিসত্ত্বৰ পিতৃক যথাযোগ্য মৰ্য্যাদাৰে ৰাজধানীত সুপ্ৰতিষ্ঠিত কৰা হ'ল।

তাৰ পাছত বোধিসত্ত্বই ৰজাক ক'লে, "মহাৰাজ, এই যক্ষ আৰু আগৰ সেই যক্ষ হৈ থকা নাই। কালিৰ যক্ষই মোৰ দেউতাক আৰু মোকো ধৰি খাবলৈ ছেগ চাই আছিল। কিন্তু এতিয়া সেই নৰভক্ষক যক্ষ সম্পূৰ্ণ অহিংস। সি আৰু কেতিয়াও মানুহৰ অনিষ্ট নকৰিব। এওঁক আপুনি অনুগ্ৰহ কৰি আপোনাৰ অশ্বশালা আৰু গজ-শালাৰ প্ৰধান ৰক্ষকৰ পদত নিযুক্ত কৰিবনে?"

ৰজাই দূৰদৃষ্টিসম্পন্ন বোধিসত্ত্বৰ পৰামৰ্শ তৎমুহূৰ্ততেই গ্ৰহণ কৰিলে।



আমাৰ নদ-নদী

কাবেৰী

চোলৰাজ তোস্তমানৰ আমোলত দেশত খাদ্যভাৱে দেখা দিছিল। সমগ্ৰ দেশ খৰাং বতৰে কোবাই গৈছিল। তাৰ ফলত প্ৰজাসাধাৰণৰ মাজত হাহাকাৰ বিয়পি পৰিছিল।

প্ৰজাৰ কষ্টই ৰজা তোস্তমানৰ মনত পৰিতাপৰ সৃষ্টি কৰিছিল। তেওঁৰ চকুত টোপনিনোহোৱা হৈছিল। কেনেকৈ প্ৰজাৰ দুখ-কষ্ট গুচাব দিনে-নিশাই সেই চিন্তা কৰিছিল তেওঁ।

অৱশেষত এই বিষয়ে প্ৰজাসাধাৰণৰ চিন্তাৰ উমান ল'বলৈ ৰজা তোস্তমান সাধাৰণ নাগৰিক বেশত দেশ পৰিভ্ৰমণলৈ ওলাল। ঘূৰি-ফুৰি, প্ৰজাবৰ্গৰ দুৰাৱস্থালৈ লক্ষ্য কৰি, ৰজাৰ মন-প্ৰাণ অধিক বেয়াহে হৈ পৰিল।

তেতিয়া মহৰ্ষি অগস্ত্যই সহ্যাদ্ৰি পৰ্বতত তপস্যা কৰি আছিল। চতুৰ্দিশৰ এই দুৰাৱস্থা লক্ষ্য কৰি তপস্যা স্থগিত ৰাখি, প্ৰজাৱৰ্গৰ মংগলৰ বাবে মহৰ্ষি অগস্ত্য পৰ্বতৰপৰা নামি আহিল।

চোলৰাজ্যৰ সীমান্তত ৰজা তোন্তমানে মহৰ্ষি অগস্ত্যৰ দৰ্শন পালে। প্ৰজা-সকলৰ দুঃখ-কষ্টৰ কাৰণে ৰজা তোন্তমান যে কিমান মৰ্মাহত সেই কথা অনুধাৱন কৰি অগস্ত্যই এই কষ্টৰ নিৰসনাৰ্থে এটা উপায় চিন্তিলে।





এই কালছোৱাত ৰজা তোন্তমানৰ প্ৰতিবেশী অন্যতম ৰজা আছিল কাবেৰ। অগস্ত্যই তোন্তমানক ৰজা কাবেৰৰ ওচৰলৈ লৈ গ'ল আৰু সহ্যাদ্ৰি পৰ্বতৰপৰা নতুন নৈ এখন ওলোৱাৰ কথা ৰজা কাবেৰক ক'লে।

এই নৈখনক চোলৰাজ্যৰ মাজেদি প্ৰবাহিত কৰোৱাত মহৰ্ষি অগস্ত্য আগ্ৰহী আছিল। কিন্তু তাৰ বাবে চুবুৰীয়া ৰজাৰপৰাও অনুমতি ল'ব লাগিব। ৰজা কাবেৰে সেই অনুমতি দিয়াত মহৰ্ষিয়ে ৰাজকৰ্মচাৰীসকলক লৈ সহ্যাদ্ৰি পৰ্বতলৈ বুলি ওলাল।

অগস্ত্য পুনৰ তপস্যাত বহিল। নৈখন যাতে বিভিন্ন অঞ্চলৰ মাজেদি প্ৰবাহিত হয়, তাৰ বাবে, অগস্ত্যৰ ইচ্ছানুসাৰে সেই নৈৰ গতিপথ নিৰ্ধাৰিত হৈছিল।

ৰাজকৰ্মীসকলে শিলৰ ডাঙৰ ডাঙৰ চটাবোৰ পেলাই সেই নতুন নৈখনৰ বাট সলাইছিল তথা নিৰ্ধাৰিত আৰু গতিবেগ নিয়ন্ত্ৰিত কৰিছিল।

চাওঁতে চাওঁতে নৈৰ গতিপথ পৰিৱৰ্তিত হ'ল। চোলৰাজ তোম্মান অত্যন্ত আনন্দিত হ'ল আৰু তেওঁ তেওঁৰ প্ৰজাবৰ্গৰ মাজতো এই আনন্দ প্ৰত্যক্ষ কৰিবলৈ বাট চাই থাকিল।

ৰজা কাবেৰৰ জীয়েকজনী আছিল অতি ৰূপৱতী। ৰাজকুঁৱৰীৰ নাম আছিল কাবেৰী। ৰাজকুঁৱৰী নামানুসাৰে নতুনকৈ প্ৰবাহিত নৈখনৰ নামকৰণ কৰা হ'ল। তেতিয়াৰে-পৰাই এই নৈখনৰ নাম হ'ল কাবেৰী।

এইদৰে ক বৰী নৈক ভাৰতবৰ্ষৰ দুখন-সুপ্ৰাচীন ৰাজ্যৰ মৈত্ৰীৰ স্মাৰক স্বৰূপে অদ্যাপি সোঁৱৰা হয়। আমাৰ দেশৰ অন্যতম প্ৰধান তথা পবিত্ৰ নৈ কাবেৰীক দক্ষিণ ভাৰতৰ গংগা নামেৰে আজিও অভিহিত কৰা হয়।

কোন বিদ্যা ডাঙৰ

এখন গাঁৱৰপৰা তিনিজন ল'ৰা গ'ল গুৰুৰ ওচৰত অধ্যায়ন কৰিবলৈ। এইজনা গুৰুৰ জ্ঞান আছিল বহুমুখী। যিকোনো বিষয়ত প্ৰশিক্ষণ দিয়াৰ ক্ষমতা তেওঁৰ আছিল। ল'ৰা তিনিজনৰ মাজত এজনে চিকিৎসা-বিদ্যা, ইজনে জ্যোতিষশাস্ত্ৰ আৰু সিজনে তৰ্কশাস্ত্ৰ শিকিবলৈ মন কৰিলে।

কিন্তু শিক্ষা আৰম্ভ কৰাৰ আগত গুৰুৱে সিহঁতক পৰীক্ষা কৰি চালে।

এদিন এজন মানুহে গুৰুৰ ওচৰত এখন কোষ্ঠী লৈ আহিল, কোষ্ঠীখন বিচাৰ কৰি ল'ৰা তথা দৰা এজনৰ ভূত-ভৱিষ্যৎ কৈ দিব লাগে। উদ্দেশ্য হ'ল: ছোৱালীৰ বিয়া। পাত্ৰৰ সেই কোষ্ঠীখন দেখুৱাই পাছত মানুহজনে গুৰুক ক'লে, "পাত্ৰক আমি চাই আহিছোঁ, সকলো-ফালৰে পৰাই ভাল। তথাপি—কোষ্ঠী বিচাৰ কৰি আপুনি মত দিলেহে সেই পাত্ৰৰ লগত বিয়া দিম, নহ'লে নিদিওঁ।"

গুৰুৱে কোষ্ঠীখন চাই ক'লে, "কোষ্ঠীখন ভালেই—পিছে এটা দুষ্ট গ্ৰহৰ প্ৰভাৱ নথকা নহয়। কিছুদিনৰ পাছত পাত্ৰ হঠাৎ অসুস্থ হৈ পৰাৰ আশংকা দেখা গৈছে।"

এই কথা শুনি কইনাৰ দেউতাকৰ মনত বেয়া লাগিল। তেতিয়া গুৰুৱে তেওঁৰ নতুন ছাত্ৰ তিনিজনক সুধিলে, "তোমালোকে সকলো কথা শুনিলা। এতিয়া—তোমালোকে এওঁক কিবা দিহা-পৰামৰ্শ দিবানে কি? ক'বলগীয়া কিবা আছে যদি কোৱা।"

গুৰুৰ কথা শুনি তৰ্কশাস্ত্ৰ শিকাত

আগ্ৰহী ল'ৰাজনে ক'লে, "প্ৰতিখন সৌৰৱণীতে এটা গ্ৰহৰ কুপ্ৰভাৱ থাকেই। আনবোৰ বিষয় যদি ভালেই আছে— বিয়াৰ কাৰণে সাজু হোৱা ভাল।"

চিকিৎসাবিদ্যাত আগ্ৰহীয়ে ক'লে, "দেহা থাকিলেই বেমাৰ-আজাৰ হ'ব। বেমাৰ-আজাৰ নোহোৱা এজন মানুহো পৃথিৱীত বিচাৰি পোৱা যাবনে? বেমাৰ হ'লে ভালকৈ চিকিৎসা কৰালেই হ'ল।"

জ্যোতিষবিদ্যা শিকাত আগ্ৰহী সেই ল'ৰাটোৱে কৈ উঠিল, "এই বিষয়ত উদ্বিগ্ন হ'বলগা একো নাই। গ্ৰহশান্তিৰ ব্যৱস্থা কৰিলেই হ'ল। তেতিয়া আৰু এওঁলোকৰ একো বিপদ নাথাকিব।"

তিনিজনৰ তিনি ৰকমৰ মন্তব্য শুনি গুৰু নিমাতে থাকিল।

কিছুদিনৰ অন্তত গুৰু গ'ল আন এখন গাঁৱলৈ, কিবা বিশেষ কামত। গুৰু ওলাই যোৱাৰ পাছত গুৰু-পত্নীয়ে গুৰুৰ শিষ্যসকলক ক'লে, "ল'ৰটোৰ যে কিহ'ল—। তোমালোকৰ গুৰু ওলোৱাৰ আগতে চাই যোৱাহেঁতেন মোৰ ভয় কৰিবলগীয়া একো নাথাকিলহেঁতেন। যি কি নহওক, ল'ৰাটোৰ কি হ'ল তোমালোকে চোৱাচোনহি। তাৰ গা জ্বৰে পুৰিছে।"

"চেঁচা পানী ঢালি থাকিলে উত্তাপ নোহোৱা হ'বই।" এই বুলি কৈ, তৰ্ক-শাস্ত্ৰৰ ছাত্ৰজনে লাহে-ধীৰে পুখুৰীলৈ গ'ল পানী আনিবলৈ।

জ্যোতিষশাস্ত্ৰৰ ছাত্ৰজনে ল'ৰাটোৰ সৌৰৱণী আৰু এই সম্পৰ্কিত গ্ৰন্থাদি পঢ়ি বিচাৰ-বিশ্লেষণ কৰিবলৈ ধৰিলে যে—কোন গ্ৰহৰ প্ৰভাৱৰ ফলত ল'ৰাটোৰ হঠাৎ জ্বৰ হ'ল।

চিকিৎসাবিদ্যাৰ ছাত্ৰে গুৰুপত্নীৰ হাতত আৱশ্যকীয় দৰব-পাতি দিলে।

গধূলিৰ আগে আগে গুৰু উভতি আহিল। তেতিয়া ল'ৰাটোৱে আন

দিনাৰ দৰে সুস্থভাৱে খেলি আছিল।

গুৰুপত্নীয়ে শিশুটিৰ বিষয়ে বিস্তাৰিত ঘটনাৰ বিবৰণ দাঙি ধৰি গিৰিয়েকক ক'লে, "এটা কথা মই একদম বুজা নাই। জ্যোতিষৰ ছাত্ৰে দুষ্টগ্ৰহৰ প্ৰভাৱ নষ্ট কৰি তোলাৰ চেষ্টা কৰি চালে, বুজিলোঁ বাৰু। পিছে—তৰ্কশাস্ত্ৰৰ ছাত্ৰই যি ক'লে — তাৰে — তৰ্কশাস্ত্ৰৰ কোনো প্ৰয়োজন আছে বুলি মোৰ ধাৰণা নহ'ল। কিয়নো—সি কেৱল চেঁচাপানীহে ঢালিবলৈ ক'লে! শুনি মই হাঁহিমেইনে কান্দিম—বুজি পোৱা নাই।"

"শুনা, জ্যোতিষ আৰু চিকিৎসাবিদ্যাৰ প্ৰয়োজন সাময়িক। কিন্তু তৰ্কবিদ্যা সদায় প্ৰয়োজনীয়। মই কাইলৈ তাক পৰীক্ষা কৰি চাম।" গুৰুৱে ক'লে।

পাছদিনা দুপৰীয়া যেতিয়া সকলোটিয়ে খাবলৈ বহিল, যেতিয়া গুৰুৱে হঠাৎ চিঞৰি উঠি ক'লে, "এস্! পোকেধৰা উৰহী খালোঁ!" এই বুলি কৈয়েই তেওঁ মূৰ্চ্ছা যোৱাৰ দৰে হ'ল।

চিকিৎসক ছাত্ৰই খোৱা এৰি গুৰুৰ নাড়ীত ধৰি পৰীক্ষাত লাগিল, জ্যোতিষীয়ে কিতাপপত্ৰ লৈ বহিল। কেৱল তাৰ্কিক ছাত্ৰই তেতিয়াও খাই থাকিল। সি অলপো উদ্বিগ্ন নহ'ল।

গুৰুপত্নীয়ে তাক ক'লে, "তুমি বৰ অদ্ভুত ছাত্ৰ দেখিছোঁ! গুৰুৱে বিহ খাই মূৰ্চ্ছা গ'ল আৰু তুমি দেখোন নিঃচিন্ত-মনেৰে খায়েই আছা!"

"মই এই কথাত নিঃচিন্ত যে—গুৰুৱে পোকে ধৰা উৰহী খোৱা নাই। উৰহীত পোক থকাৰ কথা যেতিয়া তেওঁ বুজি পাইছেই—তেতিয়া গিলি খোৱাৰ প্ৰশ্ন নুঠে।" তাৰ্কিক ছাত্ৰই ক'লে!

তেতিয়া গুৰুৱে চকু মেলি চাই পৰিবাৰক ক'লে, "এতিয়া তুমি বাৰু বুজিলানে—তৰ্কশাস্ত্ৰৰ আৱশ্যকতা কি?"

বাছনি

মহামন্ত্ৰীৰ মৃত্যুৰ পাছত অৱন্তী দেশৰ ৰজাই তেনেকুৱা জ্ঞান তথা দূৰদৃষ্টিসম্পন্ন মহমন্ত্ৰী এগৰাকী বিচাৰি থাকিল। ৰজাৰ ঘোষণ শুনি হৰিদেৱ, কৃষ্ণদেৱ আৰু অনন্তদেৱ নামৰ তিনিগৰাকী মানুহ মহামন্ত্ৰীৰ পদপ্ৰাৰ্থী হ'ল।

অৱন্তীদেশৰ ৰজাই প্ৰথমে হৰিদেৱক ক'লে, "আমাৰ চুবুৰীয়া বীৰসেন আৰু শক্তিসেনৰ মাজত বহুকাল ধৰি বিৰোধ। দুয়োজনেই সহায় বিচাৰি মোৰ ওচৰত কটকী পঠাইছে। ৰজা দুজনৰ মাজত বীৰসেন অধিক পৰাক্ৰমী, শক্তিসেন দুৰ্বল। এনে অৱস্থাত, মই ইজনক সহায় কৰিলে সিজন ৰজা মোৰ ওপৰত ক্ৰুদ্ধ হৈ উঠিব এইক্ষেত্ৰত মই কিক উচিত?"

হৰিদেৱে তৎক্ষণাৎ ক'লে, "আপুনি পৰাক্ৰমী বীৰসেনক সহায় কৰক। দুৰ্বলীৰ লগত মিত্ৰতা কৰাটো একেবাৰে নিৰৰ্থক।"

হৰিদেৱক বিদায় দিয়াৰ অন্তত কৃষ্ণদেৱক মতাই অনাই ৰজাই একেটাই প্ৰশ্ন কৰিলে। অলপ ভাবি লৈ কৃষ্ণদেৱে ৰজাক ক'লে, "দুৰ্বল ৰজা শক্তিসেনৰ সৈতে মিত্ৰতাৰ সম্পৰ্ক স্থাপিলেহে ভাল হ'ব। পৰাক্ৰমী বীৰসেনৰ সৈতে মিত্ৰতাৰ অৰ্থ হ'ব বাঘৰ লগত ছাগলীৰ মিত্ৰতা।"

তাৰ পাছত ৰজাই অনন্তদেৱকো একেটাই প্ৰশ্ন কৰিলে। অনন্তদেৱে ৰজাক ক'লে, "মোৰ মতে—আপুনি কাৰো সৈতে মিত্ৰতা নকৰাই ভাল। দুৰ্বল শক্তিসেনে আপোনাৰ বলেৰে বলিয়ান হৈ বীৰসেনক আক্ৰমণ কৰিব পাৰে। তেতিয়া বীৰসেন আপোনাৰ শত্ৰু হৈ উঠিব"

"তেনেহ'লে কটকী দুজনক কি বুলি কৈনো ঘূৰাই পঠাওঁ?" ৰজাই অনন্তদেৱক সুধিলে।

অনন্তদেৱে ক'লে, "এই সমস্যাৰ সমাধান অতি সহজ। আপুনি বীৰসেনৰ দূতক কৈ পঠাওক যে—'আপোনালোকে শক্তিসেনৰ সৈতে মিত্ৰতা স্থাপন কৰাৰ পাছত মই মিত্ৰতা স্থাপন কৰিম।' শক্তিসেনৰ দূতকো তেনেকৈ কওক। এই কথা শুনি বীৰসেন বা শক্তিসেন—এই দুজনৰ মাজত কোনেও আপোনাক বেয়া নাপায়।"

বিচক্ষণ ৰজাই দূৰদৃষ্টিসম্পন্ন অনন্তদেৱকে মহামন্ত্ৰীৰ পদত নিযুক্ত কৰিলে।

তান্ত্ৰিকৰ তমতমি

চন্দ্ৰগিৰি আৰু মিত্ৰপুৰ আছিল প্ৰতিবেশী ৰাজ্য। মিত্ৰপুৰ আছিল চন্দ্ৰগিৰিতকৈ শক্তিশালী। চন্দ্ৰগিৰিৰ ৰজা ধনবৰ্মাদেৱৰ পত্নী আছিল মিত্ৰপুৰৰ ৰজাৰ ভনীয়েক। এতেকে—মিত্ৰপুৰৰ ফালৰ পৰা চন্দ্ৰগিৰি ৰাজ্য আক্ৰমণৰ আশংকা নাছিল। উভয় ৰাজ্যৰ মাজত সদ্‌ভাৱ বজায় আছিল।

ধনবৰ্মাদেৱৰ ল'ৰা-ছোৱালী দুটি ৰূপে-গুণে আছিল জাকত জিলিকা। ল'ৰাটিৰ নাম বিজয়, ছোৱালীজনীৰ নাম স্বৰ্ণা। স্বৰ্ণা ষোল বছৰীয়া আৰু বিজয় চৌধ্য বছৰীয়া। দুয়ো বৰ সাহসী। চন্দ্ৰগিৰি ৰাজ্যৰ দক্ষিণ দিশত আছিল সাগৰ। সাগৰ আৰু চন্দ্ৰগিৰিৰ মাজত পাহাৰ-পৰ্বত আছিল। এই পৰ্বতত বাস কৰিছিল। ভৈৰৱ নামৰ এজন ভয়ংকৰ তান্ত্ৰিক। এইজন তান্ত্ৰিকে যিকোনো মানুহক যেতিয়াই-তেতিয়াই গছ, জন্তু, চৰাই আদিলৈ পৰিৱৰ্তিত কৰিব পাৰিছিল।

বহু বছৰৰ পাছত তান্ত্ৰিক ভৈৰৱৰ মৃত্যু হ'ল। তাৰ পাছত—তান্ত্ৰিক ভৈৰৱ-শৰ্মাৰ প্ৰধান শিষ্য বিকটশৰ্মাই তাত থাকি একেই কাম কৰিছিল। অৱশ্যে—বিকটশৰ্মাই মাজে-সময়ে দেশৰ ৰাজ-ধানীলৈ অহা-যোৱা কৰিছিল, ৰজা ধন-বৰ্মাদেৱে বিকটশৰ্মাক আদৰ-সাদৰো কৰিছিল। তান্ত্ৰিকসকলৰ সৈতে সদ্‌ভাৱ বজায় ৰাখিব পাৰিলে বিপদ-আপদৰ ৰেহাই পাব বুলি ৰজাৰ ধাৰণা আছিল।

এবাৰ উৎসৱ উপলক্ষ্যে স্বৰ্ণা আৰু বিজয় ৰাওনা হ'ল সিহঁতৰ মোমায়েকৰ ঘৰলৈ, মিত্ৰপুৰলৈ। আৰু বিজয়ে ঘোঁৰাৰ

পৱনচন্দ্ৰ নাৰ্জাৰী

সেই কথাত নিঃসন্দেহ হৈ সিহঁতে বাঁওফালৰ বাটেদি গৈ থাকিল।

কিছুদূৰলৈ যোৱাৰ অন্তত হঠাৎ এচটা বিৰাট শিলৰ আঁৰৰপৰা কোনোবাই কৈ উঠিল, "ৰ'বাচোন, অলপ ৰ'বা!"

স্বৰ্ণা আৰু বিজয় উচপ খাই উঠিল, আৰু ৰ'ল। পাথৰৰ আঁৰৰপৰা ওলাই আহিল তান্ত্রিক বিকটশর্মা। স্বৰ্ণা আৰু বিজয়ে বিকটশর্মাক চিনি পালে। চিনাকি বুলিহে এনে নির্জন অঞ্চলতো ভয় নাখালে। পিছে বিকটশর্মা যে তান্ত্রিক —সেই কথাটো সিহঁতে নাজানিছিল।

"আহাঁ, আহাঁ, নামি আহাঁ ঘোঁৰাৰপৰা।" বিকটশর্মাই সিহঁতক ক'লে, "প্রসাদ নোখেৰোকৈ যাব নাপায়।"

ঘোঁৰাৰপৰা নামি আহি স্বৰ্ণা আৰু বিজয় বিকটশর্মাৰ আগত থিয় হ'ল। বিকটশর্মাই সিহঁতক ক'লে, "প্রসাদ খোৱাৰ আগতে হাত-মুখ ধুই লোৱাঁ।" এই বুলি কৈ, ৰঙা ৰঙৰ কমণ্ডলুৰ পানীৰে সিহঁতক হাত-মুখ ধুবলৈ ক'লে। হাত-মুখ ধোৱাৰ পাছত সিহঁতক মউসনা কল খাবলৈ দিলে আৰু বিকটশর্মাই ক'লে, "এতিয়া তোমালোক যোৱা। পুনৰ দেখাদেখি হ'ব।"

প্রসাদ খোৱাৰ পাছত একেৰাহে পিঠিত উঠি ৰাওণা হ'ল। হঠাৎ বিজয় আৰু স্বৰ্ণাই বেগতে ঘোঁৰা চেকুৰালে আৰু তাৰ ফলত সিহঁতৰ লগত থকা দেহৰক্ষীহঁত পিছুৰাই পৰিল।

বহুদূৰলৈ ঘোঁৰা চেকুৰাই যোৱাৰ অন্তত সিহঁত পর্বতসীমা পালেগৈ। তাত থিয় হৈ স্বৰ্ণা আৰু বিজয়ে পিছফাললৈ ঘূৰি চালে। দেহৰক্ষীহঁতৰ চিন্-মোকামো নাই তাত। স্বৰ্ণা আৰু বিজয়ে দেহৰক্ষীহঁতলৈ বৈ নাথাকি আগবাঢ়ি গৈ থাকিল। কিছুদূৰলৈকে যোৱাৰ পাছত সিহঁতে তিনিআলি পালেগৈ। বাঁওফালৰ বাটেদি গ'লে যে মিত্রপুৰলৈ যোৱা যাব—

এঘণ্টামান ঘোঁৰা চেকুৰাই যোৱাৰ অন্তত ঘোঁৰা ৰখাই বিজয়ে ক'লে, "বাইদেউ, আমি ঠিক গৈ আছোঁনে?"

"ময়ো তাকেহে ভাবিছোঁ।"

যাওঁ-নাযাওঁকৈয়ে সিহঁত কিছুদূৰলৈ আগুৱাই গ'ল। বাটৰ এদাঁতিত পঁজাঘৰ এটা দেখা পাই বিজয়ে ক'লে, "আমি এই ঘৰটোৰ গৃহস্থক বাট-পথৰ সঠিক সন্ধান সোধোঁগৈ ব'লা।"

বিজয় আৰু স্বৰ্ণাই দুৱাৰত টুকুৰিয়ালেগৈ; কিন্তু কোনেও দুৱাৰ নুখুলিলে।

"ঘৰটোৰ ভিতৰত বোধকৰোঁ কোনো নাই—" বিজয়ে এই কথা কোৱাৰ লগে লগে দুৱাৰখন মেল খাই পৰিল। সিহঁত দুয়ো ভিতৰ সোমাল। লগে লগে ঘৰৰ দুৱাৰখন অপোনাআপুনি বন্ধ হৈ গ'ল।

কাণ্ড দেখি সিহঁত ভেবা লাগিল। আৰু ঠিক তেতিয়াই আঁৰৰপৰা ওলাই আহি তান্ত্রিক বিকটশৰ্মা বিকটে বিকট হাঁহি মাৰি সিহঁতৰ আগত থিয় হ'লহি।

বিজয় আৰু স্বৰ্ণাই সিহঁতৰ মনৰ আশংকা প্ৰকাশ নকৰি বিকটতান্ত্ৰিকক ক'লে, "আমি বোধকৰো মিত্ৰপুৰলৈ যোৱাৰ বাট ভুল কৰি পেলালোঁ।"

বিকটশৰ্মাই দাঁত নিকটাই হোহোৱাই হাঁহি মাৰি কৈ উঠিল, "স্বৰ্ণা তুমি ৰাণী হ'বা—মহাৰাণী। আকৌ কওঁ, তুমি ঠিক ঠিক বাটেৰেই আগুৱাইছা,

তুমি হ'বা চন্দ্ৰগিৰিৰ মহাৰাণী।"

"আপুনি ভুল কৰিছে। মইনো কেনেকৈ চন্দ্ৰগিৰি ৰাণী হ'ম? মোৰ ভাইটি, বিজয়েহে আমাৰ দেশৰ সিংহাসন পাব। গতিকে—মোৰ ৰাণী হোৱাৰ প্ৰশ্নই নুঠে।" সুৱৰ্ণাই বিকটশৰ্মাক ক'লে।

"শুনা, পৰিস্থিতিৰ সাল-সলনি হ'লে বহুতো আচৰিত কাণ্ড ঘটে। ধৰা—আন কোনোবাই তোমালোকৰ ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰিব। তেতিয়া? তেতিয়া তো তুমি সহজেই ৰাণী হ'ব পাৰিবা।" বিকটে ক'লে।

"যিকোনো মানুহে আমাৰ ৰাজ্য অধিকাৰ কৰিলেই তাক মই বিয়া কৰাম কিয়?" সুৱৰ্ণাই ক'লে, "মোৰো ইচ্ছা-অনিচ্ছা বোলা কথা এযাৰ আছে।"

"তোমাৰ ইচ্ছা-অনিচ্ছাৰ কথা থাকিব পাৰে; কিন্তু দাম নাথাকিব।" বিকটে এই কথা কৈ দুৱাৰৰ পিনে আগুৱাই গ'ল।

"ৰ'বা, তোমাক কথা এটা সোধোঁ, আমি এই ঘৰত সোমোৱাৰ লগে লগে কোনে দুৱাৰখন বন্ধ কৰিছিল?" ক্ৰুদ্ধ বিজয়ে বিকটক সুধিলে।

"তোমাৰ এইবোৰ প্ৰশ্নৰ উত্তৰ মই নিদিওঁ। তোমালোকে এই ঘৰৰপৰা এতিয়া ওলাব নোৱাৰিবা।" এই বুলি কৈ বিকটতান্ত্ৰিক তাৰপৰা ওলাই গ'ল।

বৰ্ত্তমান অৱস্থাৰ বুজ লৈ, বিজয়ে শান্ত কণ্ঠেৰে নিজক কোৱাদি ক'লে, "তেনেহ'লে—আমি এতিয়া বন্দীনে কি?"

বিজয়ৰ কথাত সুৱৰ্ণাই সম্বিৎ ঘূৰাই পোৱাৰ দৰে হ'ল। হঠাৎ আন এখন দুৱাৰ দেখা পাই সুৱৰ্ণাই দুৱাৰখন খুলি পেলালেগৈ। লগে লগে এটা ভয়ংকৰ-দৰ্শন মূৰ্তি ওলাই পৰিল। সিহঁত দুয়ো উচপ খাই উঠিল। এই মূৰ্তিৰ ওচৰত থকা খিৰিকীয়েদি চাই বিজয় আৰু সুৱৰ্ণাই বিকৃতদেহী এটা মানুহক দেখা পাই অবাক হ'ল। বিজয়ে সেই বিকৃত-

দেহী মানুহটোক চিঞৰি ক'লে, "হেৰাহে —তুমি দুৱাৰখন খুলি দিয়াচোন আমাক। তোমাক যি লাগে দিম।"

বিকৃতদেহীয়ে হো-হোৱাই হাঁহি উঠি ক'লে, "এটা কাম কৰাচোনহে বোপাই। সেই মূৰ্তিৰ পিছফালে এটা পাত্ৰত পানী আছে। পানীটোপা দিয়াচোন, পি-খাওঁ।"

বিজয়ে মূৰ্তিৰ পিছফালৰপৰা পানীৰ পাত্ৰটো বিকৃতদেহীক দিলে। বিকৃত-দেহীয়ে আকণ্ঠ পানী পি-খোৱাৰ পাছত বিজয়ক ক'লে, "তোমাক বধ কৰিব লাগিব। কামটো মই কৰিম।"

স্বৰ্ণাই অবাক হৈ সুধিলে, "তাক তুমি বধ কৰিবা? কিয়?"

"মোৰ গৰাকীৰ ইচ্ছা পূৰণ কৰিবলৈ। তাক হত্যা কৰাৰ পাছত মোৰ গৰাকীয়ে ৰাজ্য অধিকাৰ কৰি তোমাক বিয়া কৰাব, তুমি হ'বা আমাৰ ৰাণী। ৰাণী হোৱাৰ পাছত মোক পাহৰি নাযাবা বেন। মই হ'ম—হেৰি কি বোলেনে—সেনাপতি। সেনাপতি হোৱাৰ পাছত মোক চিনি পাবানে বাৰু?" বিকৃতদেহীয়ে স্বৰ্ণাক সৈকৈ হাঁহি হাঁহি ক'লে।

"তুমিহেনে মোক হত্যা কৰিবা! তোমাৰ ইমানেই সাহস হ'লনে?" বিজয়ে চকু পকাই সেই বিকৃতদেহীক ক'লে।

"ওঁ, মই, ময়েই। আগতে পঠা বলি দিছিলোঁ পূজাৰ বাবে। এতিয়া মানুহ বলি দিম ৰাজ্যলাভৰ বাবে।"

"ভাগ্যে—আমি ইয়ালৈ আহিছিলোঁ—" বিজয়ে ধেমালিৰ সুৰতে ক'লে, "নহ'লে তোমাৰ জীৱন সাৰ্থক কৰিবলৈ ক'তনো মানুহ পালাহেঁতেন বলি দিবলৈ?"

বিজয়ৰ কথা শুনি হো-হোৱাই হাঁহি উঠি মানুহজনে ক'লে, "ইয়ালৈ নাহি তোমালোকৰ উপায় নাছিল। সেই যে ৰঙা কমণ্ডলুৰ পানীৰে মুখ ধুইছিলা—তেতিয়াই হ'বলগাখিনি হৈ গ'ল। সেই পানী আছিল মহাশক্তিসম্পন্ন। সেই

পানী যাৰ চকুত সোমাব, সেই মানুহজনে সোঁ-ক বাঁও আৰু বাঁও-ক সোঁ যেন দেখিব আৰু ভাবিব। সেইদেখিহে তোমালোকে বাঁওফালৰ বাটছোৰাকে সোঁফালৰ বুলি ভাবিছিলা। সেই পানী চকুত লগাৰ লগে লগেই তোমালোকৰ সকলো কথাত আউল লাগি গ'ল। আৰু তাৰ ফলতে— ইয়ালৈ আহিলা।" বিকৃতদেহী অলপ ৰ'ল, আৰু তাৰ পাছত পুনৰ কৈ থাকিল, "হে বিজয়, হে ৰাজকোঁৱৰ, আঙুৰৰ ৰস খোৱাৰ পাছৰেপৰাই পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই যাব ধৰিছে। তুমি এই পাত্ৰটোক যথাস্থানত থৈ দিয়া, আৰু মোক অলপ খোৰাপানী দিয়া।"

তান্ত্ৰিক বিকটশৰ্মাই সিহঁতক কেনেকৈ যে জলেৰে মুখ ধুৱাই জালত পেলালে— বিজয়ে বিকৃতদেহীৰ কথা শুনি ফট-ফটীয়াকৈ বুজি পোৱা হ'ল। তৎক্ষণাৎ বিজয়ে এটা আঁচনি পাঙিলে। সি সেই মূৰ্তিৰ পিছফালৰপৰা পানীৰ পাত্ৰ আনি বিকৃতদেহীক পানী খাবলৈ দিলে।

পানী পি-খোৱাৰ অন্তত পাত্ৰটো বিজয়ক ঘূৰাই দিওঁতে বিকৃতদেহীয়ে ক'লে, "অলপ পানী থাকে যেন চাবা, আটাইখিনি মোক নিদিবা। আমাৰ নিয়ম মতে তোমাক বধ কৰাৰ আগতে এই পানীৰে মুখ ধুই ল'ব লাগিব।"

পানীৰ পাত্ৰটো মূৰ্তিৰ পিছফালে থওঁতে বিজয়ে তাত সেই ৰঙা কমণ্ডলুটোও দেখা পালে। বিজয়ে সেই পাত্ৰৰ পানী তৎক্ষণাৎ ঢালি পেলালে আৰু সেই ৰঙা কমণ্ডলুত থকা পানী এই পাত্ৰটোত ঢালি আগৰদৰে থৈ দিলে।

এনেতে হঠাৎ তান্ত্ৰিক বিকটশৰ্মা দুৱাৰ খুলি ভিতৰলৈ আহিল। আহিয়েই বিকটে বিজয় আৰু স্বৰ্ণাৰ ওপৰত ভস্ম ছটিয়াই দিলে। সিহঁত দুয়ো তন্দ্ৰাচ্ছন্ন হৈ মজিয়াত বাগৰি পৰিল। বিকটশৰ্মাই বিজয়ক মূৰ্তিৰ বাঁওফালে বহুৱাই নিজে

সেই মূৰ্তিৰ সোঁফালত বহিলগৈ।

আৰু পাছমুহূৰ্তত বিৰাট খড়্গ হাতত দাঙি লৈ বিকৃতদেহী তাত সোমালহি। প্ৰথমে বিকৃতদেহীয়ে বিকটশৰ্মাক প্ৰণাম কৰিলে। তাৰ পাছত ঘিটো পাত্ৰত বিজয়ে ৰঙা কমণ্ডলুৰ পানী ঢালি থৈছিল—সেই পাত্ৰৰ পানীৰে বিকৃতদেহীয়ে হাত-মুখ ধুই ল'লে আৰু ক'লে, "মালিক, মোক সেনাপতি কৰিব বুলি আপুনি যে কথা দিছিল—মনত ৰাখিব।"

এই বুলি কৈ বিকৃতদেহীয়ে চকচকীয়া বিৰাট খড়্গখন দাঙি ধৰিলে বিজয়ক বধ কৰিবলৈ। কিন্তু ৰঙা কমণ্ডলুৰ পানীৰে চকু-মুখ ধোৱাৰ ফলত সি মূৰ্তিৰ সোঁফালকে বাঁওফাল বুলি ভাবি লৈ খড়্গৰে তাৰ গৰাকী বিকটশৰ্মাকে ঘচংকৈ কাটি দুছোৱা কৰি পেলালে।

তান্ত্ৰিকৰ মৃত্যুৰ লগে লগেই বিজয় আৰু সুৱৰ্ণা ভস্মৰ প্ৰভাৱমুক্ত হৈ পৰিল। বিজয়ে বিকৃতদেহীক প্ৰচণ্ড এক গোৰ মাৰি মজিয়াত বগৰাই পেলালে।

মুহূৰ্ততে বিজয় আৰু সুৱৰ্ণাই ঘোঁৰাত উঠি পোনে পোনেই চন্দ্ৰপুৰলৈ ধুমুহাৰ গতিৰে—গৈ থাকিল। মিত্ৰপুৰলৈ যোৱা আৰু নহ'ল এইবাৰলৈ।

ইপিনে—বিজয় আৰু সুৱৰ্ণাৰ নিৰুদ্দেশ হোৱাৰ বাতৰি চন্দ্ৰপুৰৰ ৰজাৰ কাণতো পৰিছিলগৈ। ৰজাই তেওঁৰ ৰাজ্যৰ চাৰিওফালে সিহঁতক বিচাৰি অসংখ্য ৰক্ষী আৰু চোৰাংচোৱা পঠাইছিল। মিত্ৰপুৰৰ ৰজায়ো চোৰাংচোৱা মেলি দিছিল। এনেতে বিজয় আৰু সুৱৰ্ণা ঘোঁৰাৰ পিঠিৰপৰা জঁপিয়াই নামি আহি সিহঁতৰ দেউতাকৰ আগত থিয় দিলে।

অজস্ৰ উদ্বিগ্ন প্ৰশ্নৰ উত্তৰত বিজয় আৰু সুৱৰ্ণাই সলিসিয়ান তান্ত্ৰিক বিকটশৰ্মাৰ সেই বীভৎস কাহিনী সবিস্তাৰে ৰজাৰ আগত বিবৰিবলৈ ধৰিলে।

ৰজাৰ পৰাজয়

বিজয়পুৰৰ ৰজা বিজয়বৰ্মাদেৱে আনৰ প্ৰশংসা শুনি গৰ্ববোধ নকৰা বুলি গৰ্ববোধ কৰিছিল। তেওঁৰ এই বিশ্বাস ইমানেই দৃঢ় আছিল যে, তেওঁক প্ৰশংসা কৰি কোনেবাই টলাব পাৰিলে সেইজনক লক্ষমুদ্ৰা পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰিছিল।

ৰজাৰ এই ঘোষণা শুনি বহুতো কবি, পণ্ডিত আৰু জ্ঞানী ব্যক্তিয়ে ৰজাক প্ৰশংসা কৰি মন জয় কৰাৰ চেষ্টা কৰিলে। কিন্তু এজনো সফল নহ'ল।

কিছুদিনৰ অন্তত এজন দৰিদ্ৰ ব্ৰাহ্মণ ৰাজসভাত উপস্থিত হ'ল আৰু সভ সাং হোৱাৰ আগে আগে ৰজাক ক'লে' "মহাৰাজ, এই জীৱনত ঢেৰ ঢেৰ ৰজা-মহাৰজা দেখিলোঁ; কিন্তু প্ৰশংসা শুনিও আনন্দিত নোহোৱা, ভাল নোপোৱা মাত্ৰ আপোনাকহে দেখিলোঁ। সঁচাকৈয়ে—আপুনি এগৰাকী দুৰ্লভ দৰ্শন ৰজা।"

ৰজা বিজয়বৰ্মাদেৱে ব্ৰাহ্মণৰ কথা শুনি ভাল পাই এশ মুদ্ৰা উপহাৰ হিচাপে দিলে। ব্ৰাহ্মণে মুদ্ৰা এশ লৈ, ৰজাক ক'লে, "মহাৰাজ, আপোনাৰ ঘোষণা অনুসাৰে বাদবাকী মুদ্ৰাখিনি দিলে মই এতিয়া বিদায় ল'ব পাৰোঁ।"

ৰজা বিজয়ে অবাক হৈ ব্ৰাহ্মণক সুধিলে, "তাৰ—মানে!"

"মানে আপুনি যে ঘণা অনুসাৰে লক্ষমুদ্ৰা দিব বুলি কৈছিল। কৈছিল যে কোনোবাই প্ৰশংসা কৰি আপোনাৰ মন জয় কৰিব পাৰিলে সেইজনক লক্ষমুদ্ৰা দিয়া হ'ব। মোৰ আওপকীয়া প্ৰশংসা শুনি আপুনি ভাল নোপোৱাহেঁতেন মোক এশমুদ্ৰা দিলেহেঁতেননে, মহাৰাজ?"

ব্ৰাহ্মণৰ কথাৰ প্ৰকৃতাৰ্থ উপলব্ধি কৰি, ৰজা বিজয়বৰ্মাদেৱ ৰৰ বিমোৰত পৰা যেন হ'ল। তেওঁ একো প্ৰতিবাদ নকৰি সেই ব্ৰাহ্মণক লক্ষমুদ্ৰা পুৰস্কাৰ স্বৰূপে দি বিদায় কৰিলে।

শিৱ-পুৰাণ

৪

ব্ৰহ্মাই বজ্ৰাংগক ক'লে, "তোমাৰ এই কঠোৰ তপস্যাই মোক মুগ্ধ কৰি পেলাইছে, মই তোমাক বৰ দিম। তোমাক কি বৰ লাগে কোৱা।"

"হে মহাত্মা, আনকি দেৱতাসকলকো জয় কৰিব পৰা এটি পুত্ৰলৈ মোৰ পত্নী বৰাংগীয়ে বহুদিনৰেপৰাই বাঞ্ছা কৰিছে। মোক যদি সঁচাকৈয়ে বৰ দিবা— তেনেকুৱা পুত্ৰ এটি পাবলৈ বৰ দিয়া।" বজ্ৰাংগই ব্ৰহ্মাক ক'লে।

ব্ৰহ্মাই বজ্ৰাংগৰ ইচ্ছা পূৰণ কৰি গুচি গ'ল। বজ্ৰাংগই গৃহলৈ প্ৰত্যাৱৰ্তন কৰি তেওঁৰ পত্নী বৰাংগীক ব্ৰহ্মাই দিয়া বৰৰ কথা বুজাই কোৱাৰ অন্তত ক'লে যে ব্ৰহ্মাৰপৰা লাভ কৰা বৰেৰে সেই পুত্ৰ-কামনা ফলৱতী হ'ব।

কিছুদিনৰ অন্তত বজ্ৰাংগৰ পত্নী সন্তানসম্ভৱা হ'ল। তাৰ পাছত, বজ্ৰাংগৰ পত্নীয়ে এটি পুত্ৰ প্ৰসৱ কৰিলে। আৰু এই পুত্ৰৰ জন্ম-মুহূৰ্ত্তত ভূমিকম্প হ'ল, প্ৰলয়-বৰ্ষণ হৈ থাকিল, সাগৰ-মহাসাগৰ উত্তাল হৈ উঠিল, সাগৰৰ ঢৌবোৰ আকাশলংঘা হওঁ হওঁ হ'ল। এইবোৰ ভয়াবহতাই জনসাধাৰণৰ মনত প্ৰচণ্ড ভীতিৰ সৃষ্টি কৰিলে। বজ্ৰাংগৰ এই পুত্ৰৰ নাম আছিল তাৰক। তাৰকৰ পিতৃ-মাতৃয়ে অতি আদৰৰ পুত্ৰ তাৰকক অতি যত্নেৰে ডাঙৰ-দীঘল কৰিবলৈ ধৰিলে।

কঠোৰ আছিল যে তাৰ ফলত তাৰকৰ দেহৰপৰা বিচ্ছুৰিত হোৱা প্ৰচণ্ড উত্তাপে তিনিও লোক পুৰি ভস্ম হওঁ হওঁ হ'ল। ঋষি-মুনি আৰু দেৱতাসকলো আতংকিত হৈ পৰিল।

ঋষি-মুনি তথা দেৱতাসকলেও প্ৰমাদ গণিলে। তেওঁলোকে ব্ৰহ্মাক ক'লেগৈ, "হে মহাত্মা, তুমি তাৰকৰ তপস্যা ভংগ কৰি দিয়া। নহ'লে— তাৰকৰ প্ৰতাপত কেৱল এই লোকৰে নহয়, তিনিও লোক অগ্নিদগ্ধ হৈ ধ্বংস হ'ব। দেৱতা আৰু মুনি-ঋষিসকলে ব্ৰহ্মাক সকলো কথা বিস্তাৰিতভাৱে বুজাই ক'লে আৰু এটা ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা জনালে।

এই কথা শুনি ব্ৰহ্মা আৰু সৰস্বতী তাৰকৰ ওচৰলৈ গ'ল। ব্ৰহ্মাই তাৰকক ক'লে, "তাৰক, তোমাৰ তপস্যাই মোক মুগ্ধ কৰিছে। এতিয়া—তোমাক কি বৰ লাগে তুৰন্তে কোৱা।"

তাৰকে ব্ৰহ্মাক ক'লে, "হে ব্ৰহ্মা, তোমাৰপৰা মই মাত্ৰ এটা বৰ খুজিছোঁ। তিনিও লোক জয় কৰিব পৰা শক্তি মোক দিয়া। আৰু দেৱাদিদেৱ শিৱৰ সন্তানৰ বাহিৰে আন কোনেও যাতে মোক হত্যা কৰিব নোৱাৰে মোক তুমি তেনেকুৱা এটি বৰ দিয়া।"

কিছুকালৰ অন্তত তাৰকৰ দেহ বিৰাট আকাৰৰ হৈ উঠিল। তাৰ প্ৰকাণ্ড দেহৰ আকাৰ দেখি বহুতেই ভয় খালে। কিয়নো, তাৰক দেখাত সৰু-সুৰা পাহাৰ এটি যেন হৈ উঠিল।

এদিন তাৰকৰ মাতৃ বৰাংগীয়ে তাৰকক ক'লে, "বোপা, মোৰ কথা মনপুতি শুনা। তুমি ব্ৰহ্মালৈ তপস্যা কৰি ব্ৰহ্মাৰপৰা তিনিও লোক জয় কৰিবপৰা বৰ খুজি লোৱা।"

মাতৃৰ নিৰ্দেশমতে তাৰকে গভীৰ অৰণ্যলৈ গৈ ব্ৰহ্মালৈ কঠোৰ তপস্যা কৰিবলৈ ধৰিলে। এই তপস্যা ইমানেই

ব্ৰহ্মাই তাৰকক তাৰ আকাংক্ষিত বৰ দান কৰি তৈতিয়াই তাৰপৰা দেৱলোকলৈ উভতি গ'ল।

তাৰক উভতি গ'ল ৰাজধানী শোণিত নগৰলৈ। ব্ৰহ্মাৰপৰা পোৱা বৰৰ কথা তাৰকে তেওঁৰ মাতৃক ক'লেগৈ। তাৰ পাছত—তিনিও লোক জয় কৰিবলৈ কেতিয়া ওলাব লাগিব—সেই কথা নিৰ্ধাৰণ কৰিবলৈ তাৰকে তেওঁৰ গুৰু শুক্ৰাচাৰ্য্যৰ কাষ চাপিলে। তাৰকে তেওঁৰ গুৰু শুক্ৰাচাৰ্য্যক বিশদভাৱে সকলো কথা ক'লে আৰু তিনিও লোক জয় কৰাত তেওঁৰ আশীৰ্বাদ তথা পৰামৰ্শ প্ৰাৰ্থনা কৰিলে।

তাৰকৰ অনুৰোধত গুৰু শুক্ৰাচাৰ্য্যই দিন-ক্ষণ নিৰ্ণয় কৰিবলৈ ধৰিলে। কিন্তু তাৰকে ইতিমধ্যেই ওলাল বিজয়-অভিযানলৈ। তাৰক পোনে পোনেই গ'ল স্বৰ্গলৈ। স্বৰ্গাধিপতিক ইন্দ্ৰক সিংহানচ্যুত কৰি তাৰকে স্বৰ্গ অধিকাৰ কৰিলে। তাৰ পাছত তাৰক গ'ল বৰুণক জয় কৰিবলৈ। বৰুণক আৰু অন্যান্য বহু মান্য-গণ্য দেৱতাকো বেয়াকৈ পৰাস্ত কৰি অৱশেষত ত্ৰিভুৱন-বিজয়ী বীৰ তাৰক উভতি আহিল নিজগৃহলৈ।

এদিন নাৰদ শোণিতনগৰলৈ অহাত তাৰকে স্বৰ্গবিজয়ৰ কথা নাৰদক ক'লে। তাৰকৰ কথাৰ উত্তৰত নাৰদে ক'লে, "তাৰক, তুমি হ'লা ব্ৰহ্মাৰ আশীৰ্বাদপ্ৰাপ্ত, এক সৰ্বশক্তিমান তথা বিশ্ববিজয়ী পুৰুষ। স্বৰ্গলোক, বা অন্যান্য লোক জয় কৰাটো তোমাৰ পক্ষে অসাধ্য নহয়। তোমাক বধ কৰিব কোনো নৰ-দানৱ বা দেৱতাও অদ্যাপি জন্মগ্ৰহণ কৰা নাই। শিৱ এতিয়া কঠোৰ তপস্যাত মগ্ন। এই ছেগতে—তুমি অনায়াসে বৈকুণ্ঠ জয় কৰি ত্ৰিলোকাসুৰ হ'ব পাৰা—যদিহে তোমাৰ মনত তেনেকুৱা ইচ্ছা আছে।"

নাৰদমুনিৰ পৰামৰ্শত তাৰক বৈকুণ্ঠলৈ বুলি ৰাওনা হ'ল। তাৰকৰ মহাবিক্ৰম

তথা অন্যান্য গতি-গোত্ৰ দেখি বৈকুণ্ঠপতি বিষ্ণুৱে ফটফটীয়াকৈ বুজিলে যে তাৰকক পৰাজিত কৰাটো সম্ভৱ নহয়। তেতিয়া বিষ্ণুৱে তাৰকক যথোচিত আদৰ-অভ্যাৰ্থনাৰে আপ্যায়িত কৰি বিদায় দিলে।

ইপিনে—কৈলাসত যাতে পাৰ্বতীয়ে তেওঁৰ সেৱা কৰিব পাৰে তাৰ বাবে হিমৱন্তই শিৱক অনুৰোধ কৰিলে। হিমৱন্তৰ অনুৰোধত শিৱো সন্মত হ'ল। তেতিয়া হিমৱন্তই পাৰ্বতী আৰু তাইৰ সখিয়েকহঁতক কৈলাসত থৈ গুচি গ'লগৈ।

কৈলাস এৰি গুচি যোৱাৰ আগে আগে হিমৱন্তই ক'লে, "পাৰ্বতীয়ে হঠাৎ যদি এটি দোষ কৰি পেলায়, তাইক ক্ষমা কৰিবলৈ অনুৰোধ জনাইছোঁ।" এই বুলি কৈ, মেনকাৰে সৈতে হিমৱন্ত কৈলাস এৰি গুচি গ'ল।

পাৰ্বতীয়ে প্ৰতিদিন ধলপুৱাৰপৰা দুপৰীয়ালৈকে শিৱ-সেৱা কৰিছিল। শিৱৰ কাৰণে পাৰ্বতীয়ে ফুল-ফল-জল আনি দিছিল। দুপৰীয়াৰ পাছত তাই নিজগৃহলৈ উভতি গৈছিল আৰু নিজৰ ঘৰলৈ উভতি গৈ, শিৱক কেনেদৰে সেৱা কৰিলে সেই কথা দেউতাকক কৈছিল।

পাৰ্বতীৰ কথা সবিস্তাৰে শুনি হিমৱন্ত আশান্বিত তথা আপ্লুত হৈছিল। তেওঁৰ তথা তেওঁৰ পত্নীৰ পৰম আশা যে ফলৱতী হ'ব—সেই কথা উপলব্ধি কৰি তেওঁৰ মন-প্ৰাণ আনন্দৰে পৰিপূৰ্ণ হৈ পৰিছিল। হিমৱন্তই পাৰ্বতীক শিৱক সেৱা কৰাৰ বিষয়ে সদুপদেশ দিছিল।

ইপিনে তাৰক পুনৰ সসৈন্যে স্বৰ্গলৈ গ'ল আৰু দেৱতাসকলৰ দ্বাৰা নিজৰ সেৱা-যত্ন কৰাবলৈ ধৰিলে। তাৰকে ঋষিগণৰ ওপৰতো অত্যাচাৰ কৰি থাকিল। তাৰকৰ এনেবোৰ অপমানকৰ অত্যাচাৰত অতিষ্ঠ হৈ ঋষিসকলে যজ্ঞ বা তপস্যা—একো সুকলমে কৰিব নোৱৰা হ'ল।

তেতিয়া সকলো দেৱতা আৰু ঋষিগণে

ব্ৰহ্মাক স্তুঁৰিলে। ব্ৰহ্মাই দেৱতা আৰু মুনি-ঋষিগণৰপৰা সকলো কথা সবিস্তাৰে শুনি লোৱাৰ পাছত তাৰকক ক'লেগৈ, "তাৰক, তুমি তিনিও লোক জয় কৰিলা। এতিয়া এটা কাম কৰাঁ। তুমি তোমাৰ এই শোণিতপুৰৰেপৰাই সমস্ত লোক পালন কৰি থাকাঁ। আৰু এটা বিশেষ কথা, বৈকুণ্ঠৰ শাসনৰ দায়িত্ব দেৱেন্দ্ৰক দিয়া, তেওঁ তোমাৰ ইচ্ছামতে কাম কৰিব। তোমাৰ আৰু দেৱতাসকলৰ মাজত বিৰোধ সৃষ্টি হোৱাটো বৰ অবাঞ্ছনীয় কথা।"



তাৰকে ব্ৰহ্মাৰ উপদেশ মানি ল'লে আৰু নিজ ৰাজ্যৰ ৰাজধানী শোণিতপুৰত থাকি দেৱাদিদেৱ শিৱৰ সাধনা কৰি কালযাপন কৰিবলৈ ধৰিলে।

তিনিও লোকত কেনেবাকৈ শান্তি প্ৰতিষ্ঠিত হ'ল ব্ৰহ্মাৰ কৌশল তথা প্ৰচেষ্টাৰে; কিন্তু এই শান্তিও আছিল অস্বস্তিকৰ শান্তি।

ইন্দ্ৰ পুনৰ স্বৰ্গৰ সিংহাসনত অধিষ্ঠিত হ'ল; কিন্তু স্বৰ্গৰ সিংহাসন যে প্ৰকৃততে তেওঁৰ নহয়, সেই কথাটো সদায় তেওঁৰ মনত উক্ দি থাকিল। এদিন ইন্দ্ৰই তেওঁৰ গুৰু বৃহস্পতিক ক'লেগৈ, "গুৰুদেৱ, মই ত্ৰিলোকাধিপতি হৈও তাৰকৰ তলতীয়া হৈ থকাটো দুৰ্ঘোৰ অপমানজনক কথা। এই অন্যায়কাৰী অত্যাচাৰী অসৎ তাৰকৰ মৃত্যু কেনেকৈ হ'ব পাৰে—দয়া কৰি মোক ক'বনে?"

ইন্দ্ৰগুৰু বৃহস্পতিয়ে কথাটো ব্ৰহ্মাক সুধিবলৈ কোৱাত ইন্দ্ৰ আৰু অন্যান্য দেৱতাই ব্ৰহ্মাক সুধিলেগৈ। ব্ৰহ্মাই তেওঁলোকক ক'লে, "একমাত্ৰ দেৱাদিদেৱ শিৱইহে তাৰকৰ মৃত্যু ঘটাবলৈ সক্ষম। মোৰ প্ৰদত্ত বৰ অনুসাৰে কেৱল শিৱৰ সন্তানেহে তাৰকক বধিব পাৰিব। হিমৱন্তৰ কন্যা পাৰ্বতীয়ে শিৱক সেৱা কৰি আছে তথা তেওঁ তেওঁৰ মনত শিৱক পতিৰূপেও বৰণ কৰি লৈছে। এতিয়া শিৱই পাৰ্বতীক

বিবাহ কৰালেহে তোমালোকৰ মনোবাঞ্ছা পূৰ্ণ হ'ব তথা অস্বস্তিকৰ অৱস্থা বিদূৰিত হ'ব পাৰে।" আন একো উপায় নেদেখি দেৱতাবৰ্গ কামৰাজ মন্মথৰ কাষ চাপিল।

এই বিষয়ে ইন্দ্ৰৰ আকুল প্ৰাৰ্থনা শুনি মন্মথই ভীত হৈ ক'লে, "শিৱক পাৰ্বতীৰ প্ৰতি অনুৰক্ত কৰি তোলাটো এক বিৰাট কাৰ্য্য। এইদৰে মোহগ্ৰস্ত কৰি তোলাৰ দায়িত্ব অসাধাৰণ। এই কথাত ক্ৰুদ্ধ হৈ শিৱই যদি তেওঁৰ তৃতীয় নয়ন মেলি চায়, তেনেহ'লে সমস্ত লোক ভস্মীভূত হ'ব। এতেকে—এই কাম মই সহস্ৰ অনুৰোধতো কৰিব নোৱাৰিম।"

মন্মথৰ কথা শুনি ইন্দ্ৰ প্ৰমুখ দেৱতাসকলে মন্মথৰ মনত সাহস সঞ্চাৰ কৰি ক'লে, "মন্মথ, তোমাৰ বাণ নিক্ষেপ কৰি শিৱৰ তপস্যাত বিঘ্ন ঘটোৱা; তুমি একদম ভয় নকৰিবা। এতিয়ালৈকো আমাৰ বিশেষ ক্ষমতা একেবাৰে লুপ্ত হোৱা নাই। গতিকে—আমি তোমাক সকলো প্ৰকাৰে সহায় কৰিব পাৰিম। তুমি বিনে—আমাক এই মহাবিপদৰপৰা উদ্ধাৰ কৰোঁতা আন কোনো নাই।"

অতঃপৰ মন্মথ দেৱতাসকলক সহায় কৰিবলৈ সন্মত হ'ল। মন্মথই তেতিয়া পাঁচটা পুষ্প আৰু ধনু-তীৰ লৈ, চৰাইৰ ডেউকাৰ ওপৰত বহি, বসন্তক লগত লৈ শিৱৰ তপস্যাস্থললৈ গ'ল।

মন্মথ এই অঞ্চলত অহাৰ লগে লগেই সমগ্ৰ অঞ্চলত বসন্তৰ মনোমোহা বা বলি থাকিল, গছে-বন ফুলে-ফুলে জাতিষ্কাৰ হৈ পৰিল, কুলিয়ে মধুৰ স্বৰেৰে চতুৰ্দিশ আমোদিত কৰি তুলিলে। অলপ সময়ৰ পাছত পাৰ্বতী তালৈ আহিল তেওঁৰ সখিয়েকহঁতক লগত লৈ। প্ৰকৃতিৰ এই আকস্মিক পৰিৱৰ্তনলৈ লক্ষ্য কৰি পাৰ্বতী বিস্মিতা হৈ পৰিল। পাৰ্বতীয়ে অতি সতৰ্কতাৰে চাৰিওফালে অৱলোকন কৰি থাকিল আৰু সাৱধানী খোজেৰে আগুৱাই

গৈ গৈ লাহে-ধীৰে শিৱৰ কাষ চাপিল।

হঠাৎ পাৰ্বতীয়ে লক্ষ্য কৰিলে যে শিৱ তেওঁৰ পিনে অপলক দৃষ্টিৰে চাই আছে! যেনিবা—পাৰ্বতীক তেওঁ ইয়াত নতুনকৈহে দেখি আছে। চতুৰ্দিশৰ মনোৰম শোভা শিৱে দেখিও নেদেখা যেন হ'ল। তেওঁ পুনৰ চকু মুদি দিলে। প্ৰকৃতিৰ এই আকস্মিক পৰিৱৰ্তনে যেনিবা শিৱৰ মন-প্ৰাণত মুঠেই ৰেখাপাত নকৰা হ'ল। চাওঁতে চাওঁতে দেৱাদিদেৱ শিৱ পুনৰ ধ্যান মগ্ন হ'ল।

কিন্তু বিহ্বলা-বিভ্ৰান্তা পাৰ্বতী তাত থিয় হৈ থাকিল। শিৱই পুনৰ চকু মেলি চালে। আৰু লগে লগে মন্মথই শিৱৰ বক্ষলৈ পুষ্পবাণ মাৰি পঠিয়ালে। ইটোৰ পাছত আনটোকৈ বাণ মাৰিও একো ফল নহ'ল। তেতিয়া মন্মথয়ো প্ৰমাদ গণিলে। তাৰ পাছত, বহু চেষ্টাত পঞ্চম বাণ নীলোৎপল শিৱৰ বক্ষত বিন্ধিলেগৈ।

শিৱই ক্ৰুদ্ধ হৈ কৈ উঠিল, "কাৰনো ইমান সাহস হ'ল? মোক পুষ্পবাণেৰে কোনে বিন্ধিলেহি?" এই বুলি কৈয়েই অতিপাত ক্ৰুদ্ধ শিৱই তেওঁৰ তৃতীয় নয়ন মেলি চালে। আৰু লগে লগে সমগ্ৰ বনাঞ্চলত লৌ লৌকৰে জুই জ্বলি উঠিল।

কামৰাজ মন্মথো সেই আকাশলংঘা সৰ্বগ্ৰাসী জুইত পুৰি মৰিল।

তেতিয়া সকলো দেৱতা আৰু মন্মথৰ পত্নী ৰতিদেৱীয়ে শিৱক তুষ্ট কৰিবলৈ ক'লে, "হে শিৱ, মোৰ স্বামীয়ে কোনো অপৰাধ কৰা নাই। পাৰ্বতীৰ গৰ্ভত আপোনাৰ পুত্ৰ উপজিলেহে অত্যাচাৰী তাৰকক হত্যা কৰিব পৰা হ'ব। তাৰকৰ অত্যাচৰত তিনিও লোক পৰ্য্যুদস্ত। আপুনি দয়া কৰি পাৰ্বতীক পত্নীৰূপে গ্ৰহণ কৰি আমাক ৰক্ষা কৰক, আৰু, মোৰ স্বামীক পুনৰ্জীৱিত কৰি তোলক, হে করুণাময় দেৱাদিদেৱ শিৱ!"

ঠগৰ ঠঠমঠ

বাগদাদ নগৰ অনতিদূৰতে ইছমাইল নামৰ এজন মাংসবেচোঁতা আছিল। সেইটুকুৰা ঠাইত ইছমাইলৰ দোকানখন মাংসৰ একমাত্ৰ দোকান হোৱা হেতুকে তাৰ দোকানত সদায় মাংস লওঁতা গ্ৰাহকৰ ভিৰ হৈছিল।

এদিন এজন বুঢ়া মানুহ ইছমাইলৰ দোকানত আহিল। বুঢ়া মানুহজনৰ মাত-বোল শুনি, আৰু বেলেগ ধৰণৰ পোছাক-পাতি দেখি মানুহজনক বিদেশী বুলি ইছমাইলৰ ধাৰণা হ'ল।

এই বিদেশী বুঢ়াই ইছমাইলৰপৰা এসেৰ বঢ়িয়া মাংস খোজাত ইছমাইলে ক'লে, "বঢ়িয়া মাংস ল'বলৈ হ'লে এটা ৰূপৰ মুদ্ৰা দিব লাগিব।"

ইছমালৰ কথা শুনি বুঢ়া একেবাৰে তল যাওঁ তল যাওঁ যেন হ'ল। বুঢ়াই অলপ সময়লৈ তভক মাৰি থকাৰ পাছত ফুটোঁ-নুফুটোঁকৈ ক'লে, "মাত্ৰ এসেৰ মাংসৰ বাবে এটা ৰূপৰ মুদ্ৰা দিব লাগিব! বেয়াদবি মাফ কৰিবা, আমাৰ দেশত এটা ৰূপৰ মুদ্ৰাৰে এটা গোট ভেড়াকে কিনিব পাৰোঁ দেখোন!"

বৃদ্ধৰ কথাত ছইমাইলৰ উঠিল খং। সি বৃদ্ধক ক'লে, "চাওক জনাব, ইমান বকৰ বকৰখন কৰিব নালাগে। ইচ্ছা হ'লে মই বিচৰা দামেৰে মাংস লওক, আৰু নহ'লে গুচি যাওক।"

ইছমাইলৰ কথাত বুঢ়াই মিচিকীয়াই হাঁহি মাৰি, এটা ৰূপৰ মুদ্ৰাৰে মাংস এসেৰ তাৰপৰা কিনি ল'লে।

আৰু পাছদিনা আকৌ সেই বিদেশী

'আৰৱদেশৰ দাস্তাঁ (সাধু)'

দেখা পাই একেবাৰে হতভম্ব তথা অতিপাত আচৰিত হ'ল।

বিদেশী বুঢ়া পাছদিনা আহিল ইছমাইলৰ দোকানত আৰু ইছমাইলে লগে লগে বুঢ়াৰ ডিঙিত টিপা মাৰি ধৰি কৈ উঠিল, "হাৰামজাদা বুঢ়া, ইমান সাহস তোৰ! তই মোক ঠগিবলৈ আহিছ!" এই বুলি কৈ কৈ ইছমাইলে বুঢ়াক ইচ্ছামতে মাৰ-পিট কৰি থাকিল।

বুঢ়াই চিংকাৰ কৰি কৰি ক'লে, "মই তোমাক ঠগিছোঁনে তুমিহে মোক ঠগিছা কোৱাচোন!"

চাওঁতে চাওঁতে তাত ঢেৰ মানুহ গোট খাই পৰিল। এই বিদেশী বুঢ়াক সি কিয় মাৰিছে বুলি সোধাত ইছমাইলে ক'লে, "এই ধূৰ্ত বুঢ়াই যোৱা দুদিন ধৰি মোক নকলী মুদ্ৰা দি মোৰ দোকানৰপৰা ভেড়াৰ মাংস কিনিছে।"

"শুনক শুনক—" বিদেশী বুঢ়াই চিঞৰি ক'লে, "আপোনালোকৰ এই মাংসবেচাঁতা হ'ল বিৰাট এক প্ৰতাৰক। ই কদাপি ভেড়াৰ মাংস নেবেচে, ই ভেড়াৰ নামত কুকুৰৰ মাংসহে বেচে। মই কথাটো কেনেবাকৈ জানিলোঁ বুলিহে ই মোক মাৰ-পিট কৰিছে।"

এজন মানুহে কৈ উঠিল, "আপোনাৰ

বুঢ়া ইছমাইলৰ দোকানলৈ আহিল। দোকানলৈ আহি, মাংসৰ দাম-দৰ একো নুসুধি, এসেৰ মাংস লৈ, ইছমাইলক এটা ৰূপৰ মুদ্ৰা দিলে।

ইছমাইলে মুদ্ৰাটো বুঢ়াক ঘূৰাই দি ক'লে, "আজি মাংসৰ দাম বাঢ়িল। আজি এসেৰসৰ দাম হিচাপে দুটা মুদ্ৰা দিব লাগিব।"

বুঢ়াই মিচিক্কৰে হাঁহি মাৰি, দুটা জকমকীয়া ৰূপৰ মুদ্ৰা দি, গুচি গ'ল। কিন্তু ইছমাইলে ৰাতিৰ পৰতে টকা গন্তি কৰোঁতে বিদেশী বুঢ়াই দিয়া ৰূপৰ মুদ্ৰা তিনিটা এওাৰলৈ পৰিৱৰ্তিত হোৱা

এই কথাৰ প্ৰমাণ দিব পাৰিবনে?"

বুঢ়াই তৎক্ষণাৎ কৈ উঠিল, "মই মিছা কথা ক'ম কিয়? প্ৰমাণ লাগেই যদি—দোকানৰ পিছফালে ব'লক মোৰ লগত—আপোনালোকে নিজ চকুৰে চাই আহকগৈ। সি যদি ভেড়াৰ মঙহকে বেচিব—দোকানৰ পিছফালে ইমানবোৰ কুত্তা বান্ধি থোৱাৰ আৱশ্যকতানো কি? আহক—আহক মোৰ লগত।" এই বুলি কৈ, বিদেশী বুঢ়াই তাত গোটখোৱা মানুহখিনিক লৈ গ'ল ইছমাইলৰ দোকানৰ পিছফাললৈ। তাত কমেও একুৰি কুকুৰক বান্ধি থোৱা দেখি মানুহবিলাকৰ মুখৰ মাত হৰিল।

সঁচা কথা, ইছমাইলে তাৰ দোকানৰ পিছফালে ইমানবোৰ কুকুৰ কিয় বান্ধি থৈছে? —জনতা বিক্ষুব্ধ হৈ উঠিল।

আৰু ইছমাইল বলিয়াহেন হৈ উঠিল। ইছমাইলে চিঞৰি কোৱাৰ চেষ্টা কৰিলে যে এই ধূৰ্ত বুঢ়া আচলতে এক জাদুকৰ। কিন্তু ইছমাইলৰ বিৰুদ্ধে সকলোটিয়েই ইমান বিক্ষুব্ধ হৈ উঠিছিল যে কোনেও তাৰ এই কথালৈ কাণসাৰ নকৰিলে। সিহঁতে ইছমাইলক মাৰি-কিলাই টানি-চুঁচৰি কতোৱালৰ ওচৰলৈ লৈ গ'ল।

সকলো কথা শুনাৰ অন্তত কতোৱাল

জিগিৰখাঁই প্ৰচণ্ড ক্ৰুদ্ধ হৈ ক'লে, "জানোৱাৰ! মোৰ ঘৰতো তোৰ দোকানৰ-পৰা মাংস অনা হয়। তোক মই মৃত্যুদণ্ড দিম—ৰ'বি। তোক মই কুকুৰেৰে খুৱাম আজি।" এই বুলি কৈ এখন শকত কিতাপৰ পৃষ্ঠা লুটিয়াই লুটিয়াই কতোৱালে ক'লে, "ওহোঁ, নহ'ব। তেনেকুৱা কানুন (বিধান) নাই।" এই বুলি মন্তব্য কৰি ৰক্ষীহঁতক ক'লে, "এই ধূৰ্ত বদমাছটোক সৌকাৰে এশবাৰ কোবাই, তাৰ সোঁ চকুটো কণা কৰি দি, এই দেশৰ সীমা পাৰ কৰি খেদি দিয়া।" তাৰ পাছত কতোৱালে ইছমাইলক ক'লে, "তোৰ

মাটি-বাৰী ধন-সম্পদ য'ত যি আছে সকলো ছুলতানৰ ধনভঁৰালত জমা হ'ল। তোৰ বুলিবলৈ একো নাথাকিল।"

কতোৱালৰ নিৰ্দেশমতে ইছমাইলক সৌকাৰে এশবাৰ কোবাই, সোঁ চকু কণা কৰি দেশৰপৰা খেদি দিয়া হ'ল।

আন দেশৰ বাটে বাটে ভিক্ষা কৰি কৰি ইছমাইলে ভাবি থাকিল: মোৰ অত্যধিক লোভেই মোৰ কাল হ'ল। —গৈ গৈ ইছমাইলে এখন নগৰ পালেগৈ। তাত অন্য মগনিয়াৰে ইছমাইলক ক'লে, "হেৰা, তুমি এটা কথাত সদায় সাৱধান থাকিবা। এইদেশৰ ছুলতানে কণা মগনিয়াৰহঁতক সৌকাৰে কোবোৱাৰ নিৰ্দেশ দিয়ে। সোঁ চকু কণা হ'লে তেওঁ তাক দোজোখলৈ (নৰকলৈ) পঠায়। গতিকে—ছুলতানৰপৰা সাৱধান থাকিবা, নহ'লে অপঘাতে মৰিবা।"

এদিন ইছমাইলে 'হুছিয়াৰ—হুছিয়াৰ, আঁতৰ হোৱা!' বুলি কোনোবাই চিঞৰি উঠা শুনি, ছুলতান অহা বুলি ভাবি, সাউৎকৰে এটা ঘৰৰ ভিতৰলৈ সোমাই গ'ল। লগে লগে সেই ঘৰৰ গৃহস্থই ইছমাইলক ধৰি-মাৰি-কিলাই কৈ থাকিল, "চা—ল্লা চোৰ! যোৱা তিনিদিন ধৰি আমাৰ খানা (ভাত) চুৰ কৰি খাই পলাইছ! আজি তোক পালোঁ!" এই বুলি কৈ, ইছমাইলক গুৰিয়াই গৃহস্থই বাটৰ এদাঁতিত পেলাই দিলে।

ঠিক তেতিয়াই ইছমাইলৰ ভায়েক জামাল সেই বাটেদি ক'ৰবালৈ গৈ থাকোঁতে ককায়েকক দেখা পাই নিজৰ ঘৰলৈ লৈ গ'ল। তেতিয়া ইছমাইলে জামালক ক'লে, "মোৰ অতি লোভেই মোৰ সৰ্বনাশৰ কাৰণ হ'ল। তুমিও মাংস-বেচোঁতা, সেই দেখি তোমাকো কওঁ, লাভৰ লোভক সদায় সংযত ৰাখিবা। আৰু—বিদেশীক কেতিয়াও নঠগিবা।"

বনৰীয়া ম'হ

এশ বছৰৰ আগতে আমেৰিকাৰ পূৰ্বৰ পৰা পশ্চিমৰ যোগাযোগৰ বাবে ৰেলআলি নিৰ্মাণ কৰোঁতে বিভিন্ন সমস্যাই মূৰ দাঙিছিল। সেই সমস্যাসমূহৰ অন্যতম আছিল শ্ৰমিকইতৰ বাবে খাদ্যৰ সমস্যা। এই খাদ্য-সমস্যাৰ সমাধানৰ বাবে সেই অঞ্চলৰ অসংখ্য বনৰীয় ম'হ মাৰি পেলোৱা হৈছিল। বাফেলো বিল নামৰ এজন চিকাৰীয়ে দিনে গড়ে উনসত্তৰটাকৈ সৰ্বমুঠ চাৰি হাজাৰ বনৰীয় ম'হ চিকাৰ কৰিছিল আৰু তাত কৰ্মৰত বনুৱাইতে এই বলবৰ্ধক খাদ্য খাইছিল।

সম্প্ৰতি, আমেৰিকাই এই বনৰীয়া ম'হৰ সংৰক্ষণৰ বাবে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। এতিয়া আমেৰিকাত ৫০,০০০ আৰু কানাডাত ২০,০০০ বনৰীয়া ম'হ আছে।

ভাৰতবৰ্ষত 'বাইছন' নামৰ পশুক প্ৰাচীনকালৰেপৰাই পৰ্বতীয়া লোকসকলে কামত খটুৱাই আহিছে আৰু তাৰ মাংস খাইছে।

এই পশুৰ মূৰ অতি শক্তিশালী। প্ৰাচীনকালত এই পশুবিলাকে চৰি ফুৰিবলৈ বসন্তকালি উত্তৰাঞ্চললৈ আৰু শৰৎকালি দক্ষিণাঞ্চললৈ অহা-যোৱা কৰা দেখা গৈছিল। সুপ্ৰাচীনকালত বাইছনবিলাকে জাকে জাকে ইঅ'ৰোপ, এছিয়া আৰু উত্তৰ আমেৰিকাত ঘূৰি ফুৰিছিল। তেতিয়া এই তিনিওখন মহাদেশৰ মাজত স্থলপথেৰে যোগাযোগ আছিল। পৰৱৰ্তীকালত মহাসাগৰৰ জলৰাশিয়ে এই যোগাযোগ বিচ্ছিন্ন কৰি পেলালে।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ ছেপ্‌টেম্বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : অভ্যাসৰ নৰ

দ্বিতীয় ফটো : কৰ্ণপথে কৰে শৰ

পুৰস্কাৰ পাওঁতা : ৰঞ্জন শইকীয়া, দক্ষিণ হয়বৰগাঁও, নগাঁও—১, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। মেগাস্থিনিছ ২। ১৭৫৭ চনত, ছিৰাজদ্দৌলা আৰু ইস্ট ইণ্ডিয়া কম্পেনিৰ মাজত ৩। ৰজা পঞ্চম জৰ্জ ৪। চেতক ৫। গ্ৰেট বৃটেইন।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India): Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে!
सुपर
रिन
सफ़ेदी की चमकार
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকোনো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

মালতোভা দল উদ্ধাৰৰ বাবে সাজু ...

চেইদিনা বৰ গৰম পৰিছিল। দেবুৱে তেওঁৰ চাইকেলখন পলিচ কৰিছে। গোটেই দলটো তেওঁৰ ঘৰত গোট খালে আৰু সাতুৰিবলৈ গল। "তোমালোকে থাৰমচ ফ্লাস্কত মালতোভা আৰু চেন্দুইচ নললে নাপাহাৰিবা" দেবুৰ মাকে সকিয়াই দিলে।

তেওঁলোকে চিক্‌মিকিয়া চাইকেলত বেল বজাই বজাই যাত্ৰা কৰিলে। এজাক শীতল বতাহে গা-মন জুৰ লগাই গল; তাতে কুলিজনীয়েও আম জোপাৰ পৰা "কুউ কুউ"মাতেৰে সম্ভাষন জনালে। সচাঁকৈয়ে দিনটো বৰ সুমধুৰ আছিল।

ঘুৰুম ...

হঠাৎ তেওঁলোকে এটা ডাঙৰ শব্দ শুনিলে। তা, দেবুৰ চাইকেলখন ফুটিল, আজিহে এইখন হবলৈ পালে। সকলোৰে বৰ থং উঠিল। কিন্তু তেওঁলোক দেবুৰ ওচৰলৈ আগবাঢ়োতেই এটা ঘটনা ঘটিল। এখন কলা গাড়ী বৰ জোৰেৰে আহিছিল আৰু এজন চাইকেল আৰোহীক খুন্দিয়ালে। গাড়ীখন অকপমান থমকি আকৌ জোৰেৰে গুচি গল।

মালতোভা দলৰ তৎপৰতা

"গাড়ী ৰখোৱা" ভেনুৱে চিএঞৰিলে কিন্তু গাড়ীখন নৰল। তথাপি ভেনুৱে গাড়ীৰ নম্বৰটো মনত ৰাখিব পাৰিলে। "মই ঘটনাত পতিত হোৱা ল'ৰাজনৰ ওচৰলৈ যাও"। দেবুৱে কলে, মালতীয়ে এম্বুলেন্স মাতিবলৈ দৌৰি গল। অকণমানী মিনি জনীয়ে জেপৰ পৰা ৫০ পইচাৰ মোহৰ এটা উলিয়াই ফোন কৰিবলৈ দিলে।

লৰা'টোৱে অলপ বেছিকৈ দুখ পাইছিল, "চিন্তাৰ কাৰণ নাই। আমি ডাক্তৰ মাতিছো।" দেবুৱে সান্তনা জনালে, দেবু এজন ভাল স্কাউত আৰু চালিমৰ সহায়ত দুখ পোৱা ঠাইবোৰ বান্ধি দিলত তেজওলোৱা বন্ধ হল।

এম্বুলেন্স আহিল

চাইৰেনৰ মাত শুনা গল আৰু এখন বগা এম্বুলেন্স আহিল, ডাক্তৰে আহি লৰাটো পৰীক্ষা কৰিলে। "তুমি বৰ ভাল কাম কৰিলা, তোমালোকৰ সাহায্যৰ বাবে লৰাটোৰ জীৱন বাচিল। পুলিচে নিশ্চয় দোষীক ধৰিব" দেবুৱে কলে "অকল মৱে নহয়" "তোমালোক মালতোভা দলে বৰ ভাল কাম কৰিলা"।

মালতোভাই সকলো সলনি কৰে

মালতোভাৰ ল'ৰা-ছোৱালীয়ে জীৱনত সকলো পাই কাৰণ প্ৰত্যেক পিয়লা মালতোভাতে আছে সোনালী ঘেহু, বাৰ্লি, খাটি গাখীৰ, বলকাৰক ক'কা আৰু শৰ্কৰাৰ উপকাৰী অংশ। ই শক্তিদায়ক, প্ৰতিৰোধকাৰক আৰু বলকাৰক। আপোনাৰ লৰা-ছোৱালীক মালতোভা দিয়ক। দেখাপাব তেওঁলোক শক্তিবান আৰু স্বাস্থ্যবান হৈছে।

মালতোভা ক্লাবত যোগদান কৰক।

এইটো তেনেই উজু, মাত্ৰ ৫০০ গ্ৰামৰ তিনিখন জাৰ লেবেল আৰু ভিতৰৰ চিল অংশ অথবা তিনিখন ৫০০ গ্ৰামৰ ঢাকনি পঠাওক।
মালতোভা ক্লাব
ফৰথ ফ্লৰ, ভানদাৰী হাউচ
৯১, নেহেৰু প্লেচ, নতুন দিল্লি-১০০ ০১৯
আপুনি অংশ ললে।

JIL জগৎজিত ইণ্ডাষ্ট্ৰীজ লিমিটেড

ভিটামিন যুক্ত মালতোভা: স্বাস্থ্য, বল আৰু শক্তিৰ বাবে

SIMOES/JIL/003/85 ASM

নটৰাজেৰে লিখাৰ মজাই হ'ল বেলেগ। ই ইমান নিখুতকৈ লিখে যে সকলোৱে নটৰাজেৰেহে লিখি ভাল পায়। অকনো নভগাকৈ ই ইমান কোমল, ডাঠকৈ আৰু জোঙাকৈ লিখে যে আনকোনো এনেধৰণৰ পেন্সিলত এই মজা নাই। ইয়াৰ মানে হ'ল বহুত সময় ধৰি আপুনি লিখাৰ আৰাম পায়।

নটৰাজ পেন্সিল
বেচিকৈ লিখে, বেচিকৈ চলে

এক উৎকৃষ্ট উৎপাদন:
হিন্দুস্তান পেন্সিলচ প্ৰাঃ লিঃ বোম্বাই-৪০০ ০০১

everest/85/HP/190-as